সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ,৩৫ সংখ্যা, ১২ ভাদ , ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 35 Date of Publication- 30 August 2026 Rs. 10.00/-


## বানৰ সুযোগ লৈ শিৱসাগৰত সোমাল জাকে জাকে বাংলাদেশী




ৰঙিলী বাৰ্ত্তাসেৱা- বানপানীৰ সুযোগ লৈ জাতিৰ বৰঘৰ শিৱসাগৰ সোমাল হাজাৰ হাজাৰ অবৈধ বাংলাদেশী। শিৱসাগৰ প্ৰেছ ক্লাবত এক সংবাদ মেলৰ আয়োজন কৰি জাতীয় সংগ্ৰামী সেনা অসমৰ সভাপতি চিতু বৰুৱাই এনেদৰে কয়।বানৰ সুযোগ লৈ একাংশ বাংলাদেশীয়ে উজনি অসমত ঘৰ সাজিলে, গাঁও বনালে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে বাংলাদেশী মূলৰ মানুহখিনিয়ে এতিয়া খিলঞ্জীয়া মানুহৰ হত্যাত নামি পৰিছে। যোৱা ২৫ আগষ্টত এজন খিলঞ্জীয়া যুৱক মানসজ্যোতি চেতিয়াক বাংলাদেশী মূলৰ মানুহে বৰ্বৰভাৱে, পৰিকল্পিতভাৱে হত্যা কৰিলে। ইতিমধ্যে অসম আৰক্ষীয়ে এই হত্যাকাণ্ডৰ লগত জড়িত কেইজনমান অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। জাতীয় সংগ্ৰামী সেনাৰ তৰফৰ পৰা দাবী জনাই পুনৰ কয় যে মানসজ্যোতি চেতিয়াৰ হত্যাকাণ্ডৰ লগত জড়িত থকা এজাহাৰত নাম দিয়া প্ৰতিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰি এনকাউণ্টৰ কৰিব লাগিব। অন্যথা জাতীয় সংগ্ৰামী সেনা অসমে অনাগত দিনত প্ৰতিবাদী কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হ'ব। ইফালে চিতু বৰুৱাই বিহুবৰ ২নং ৰে'লৱে কোৱেৰী আৰু বিহুবৰ গীতি চাইডিং নেপালীবস্তিৰ আলোকচিত্ৰও প্ৰদৰ্শন কৰি কয় যে জাতিটোৰ বৰঘৰ শিৱসাগৰৰ এই ঠাইসমূহত অবৈধ সন্দেহযুক্ত নাগৰিক বাংলাদেশী বানৰ সুযোগ লৈ সোমাল। জাতীয় সংগ্ৰামী সেনা অসমে অঞ্চলকেইটা পৰিদৰ্শন কৰাৰ কথা অৱগত কৰি স্থানীয় লোকসকলৰ লগত কথা পাতি ফটোত দেখা পোৱা বিহুবৰ ৰঙাজানত প্ৰায় ৪ হাজাৰ, ২নং ৰে'লৱে কোৱেৰীত প্ৰায় ৫ হাজাৰ আৰু গীতি চাইডিং নেপালীবস্তিত প্ৰায় ৭

( দুই পৃষ্ঠাত চাওক)

## গোলকীয় উষ্ণতা, জলবায়ু পৰিৱৰ্তনৰ বাবে নেপালত মহাপ্ৰলয়



ৰঙিলী বাৰ্ত্তাসেৱা- নেপালত শেহতীয়াকৈ দেখা দিয়া প্ৰাকৃতিক বিপৰ্যয়ৰ অন্তৰালত মানৱসৃষ্ট গোলকীয় উষ্ণতা বৃদ্ধি এক অন্যতম প্ৰধান কাৰণ। প্ৰাথমিকভাৱে নেপালৰ মহাপ্ৰলয়ৰ কাৰক হিচাপে ভূমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্ঘটনাৰ পৰিণতি হিচাপে বাৰম্বাৰ ব্যাখ্যাৰ চেষ্টা কৰা হৈছে। কিন্তু উপগ্ৰহীয় চিত্ৰ বিশ্লেষণৰ অন্তত স্পষ্ট প্ৰমাণ পোৱা গৈছে- নেপালত শেহতীয়া বিপৰ্যয়ৰ মূলতে মানবসৃষ্ট গোলকীয় উষ্ণতা। হিমালয়ৰ

(দহ পৃষ্ঠাত চাওক)

## নেপালৰ জলপ্ৰলয়ত অসমৰ ১২জন লোক সন্ধানহীন



ৰঙিলী বাৰ্ত্তাসেৱা- নেপালত সৃষ্টি হোৱা প্ৰলয়ংকৰী বানত সন্ধানহীন হৈ আছে অসমৰ ১২জন লোক। সামাজিক মাধ্যমযোগে এই তথ্য সদৰী কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, এতিয়ালৈকে আমি অসমৰ পৰা নেপালত নিৰুদ্দেশ হোৱা ১২ জন লোকৰ তথ্য সংগ্ৰহ কৰিবলৈ সক্ষম হৈছো । তেওঁলোকৰ সৈতে যোগাযোগ কৰি নিৰাপদে উদ্ধাৰৰ প্ৰচেষ্টা অব্যাহত আছে। মুখ্যমন্ত্ৰী শৰ্মাই নেপালত সন্ধানহীন অসমৰ লোককেইজনৰ সবিশেষ সামাজিক মাধ্যমত শ্বেয়াৰ কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা এই ১২জন লোকৰ ভিতৰত আছে-কাৰ্বি আংলং জিলাৰ ডকমোকাৰ ঋতুপৰ্ণ ব্ৰহ্ম, মন্ত্ৰী বসুমতাৰী,

( দুই পৃষ্ঠাত চাওক)

## নেপালৰ মহাপ্ৰলয়ত ৭৩৪লৈ বৃদ্ধি পালে মৃতকৰ সংখ্যা



ৰঙিলী বাৰ্ত্তাসেৱা- নেপালৰ চৌপাশে এতিয়া অবৰ্ণনীয় পৰিৱেশ । দেশখনত ধ্বংসস্তূপৰ মাজত বোকাত লুতুৰি-পুতুৰি হৈ পোতখাই আছে বহু মৃতদেহ । ঠায়ে ঠায়ে আবদ্ধ হৈ সহায়ৰ বাবে অপেক্ষা কৰি আছে হাজাৰ হাজাৰ লোক। প্ৰতিদিনে বৃদ্ধি পাই গৈ আছে নিহত-আহতৰ সংখ্যা। ভোটে কোশী নৈৰ বোকা-পানীৰ প্ৰচণ্ড সোঁতে পুতি পেলোৱা বানবিধ্বস্ত ৰসুৱাকে ধৰি ৮খন জিলাৰ বিস্তীৰ্ণ এলেকাত এতিয়া অবৰ্ণনীয় অৱস্থা। বোকাৰ তলৰ পৰা উদ্ধাৰ হৈছে ইটোৰ পিছত সিটোকৈ দুৰ্ভগীয়াৰ মৃতদেহ। শেহতীয়া তথ্য অনুসৰি নিহতৰ সংখ্যা ৭৩৪জনলৈ বৃদ্ধি পাইছে। বৰ্তমানেও নিৰুদ্দিষ্ট হৈ আছে তিনি সহস্ৰাধিক। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি মৃতকৰ সংখ্যা আৰু অধিক হোৱাৰ সম্ভাৱনা আছে। ইফালে

( দুই পৃষ্ঠাত চাওক)

## জুবিন হত্যা গোচৰত আদালতত সাক্ষ্যদান সৃজনী ভাস্ব মহন্ত




ৰঙিলী বাৰ্ত্তাসেৱা- আদালতত চলি আছে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বিচাৰ প্ৰক্ৰিয়া। শনিবাৰে বিশেষ ফাষ্টট্ৰেক আদালতত শিল্পীগৰাকীৰ হত্যাৰ গোচৰৰ সাক্ষ্যদান কৰে প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তৰ কন্যা তথা শ্যামকানু মহন্তৰ ভতিজী সৃজনী ভাস্ব মহন্তই ।উল্লেখ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ পিছতে সৃজনী ভাস্ব মহন্তই নিজৰ ফেচবুক একাউণ্টৰ জৰিয়তে শ্যামকানু মহন্তৰ বিৰুদ্ধে এটা বিশেষ পোষ্ট আপলোড কৰিছিল। এই পোষ্টটোতে সৃজনীয়ে জুবিন গাৰ্গক শ্যামকানু মহন্তই পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰাৰ কথা উল্লেখ কৰিছিল। সৃজনী মহন্তৰ উক্ত ফেচবুক পোষ্ট সন্দৰ্ভতে এছআইটিয়ে সাক্ষ্যদানৰ বাবে মাতিছিল। সেইমৰ্মে বিশেষ আদালতত হাজিৰ হৈ সাক্ষ্যদান কৰিলে সৃজনী মহন্তই। শনিবাৰে পুৱাৰ ভাগত বিশেষ ফাষ্টট্ৰেক আদালতত হাজিৰ হোৱা সৃজনী মহন্তক শ্যামকানু মহন্তৰ অধিবক্তাই

( চাৰিপৃষ্ঠাত চাওক)

# শ্বিলঙৰ অসম ৰেজিমেন্টেল চেণ্টাৰ পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে ভাৰতীয় সেনাৰ অসম ৰেজিমেণ্টৰ শিলঙস্থিত মুখ্য কাৰ্যালয়ৰ 'অসম ৰেজিমেন্টেল চেণ্টাৰ' পৰিদৰ্শন কৰে। ১৯৪১ চনত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত শিলঙত স্থাপিত অসম ৰেজিমেণ্টেল চেণ্টাৰৰ এক সুদীৰ্ঘ আৰু সোণালী ইতিহাস আছে। ৰাজ্যৰ স্থায়ী ৰাজধানী দিছপুৰ হোৱাৰ পাছত অসমৰ মুখ্যমন্ত্ৰী হিচাপে এয়াই আছিল এই চেণ্টাৰলৈ প্ৰথম ভ্ৰমণ। ইয়াৰ পূৰ্বে কেৱল প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত বিষ্ণুৰাম মেধি আৰু প্ৰয়াত বিমলা প্ৰসাদ চলিহাইহে এই কেন্দ্ৰটো পৰিদৰ্শন কৰিছিল, যাৰ ফলত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ এই ভ্ৰমণ এক ঐতিহাসিক ক্ষণ হিচাপে পৰিগণিত হৈছে।

এই ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰীয়ে যুদ্ধস্মাৰকত মাল্যাৰ্পণ কৰি দেশৰ সেৱাত পৰম ত্যাগ কৰা বীৰ জোৱানসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে তাত তেওঁ দৰ্শনাৰ্থীৰ বহীতো স্বাক্ষৰ কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰটোত ড্ৰোনৰ ব্যৱহাৰেৰে অনুষ্ঠিত এক চিত্তাকৰ্ষক যুদ্ধ কৌশলৰ প্ৰদৰ্শনো প্ৰত্যক্ষ কৰে। ইয়াৰ উপৰি তেওঁ প্ৰশিক্ষণ ক্ষেত্ৰ পৰিদৰ্শন কৰি জংঘল লেন শ্যুটিং, কমাণ্ডো ব্ৰিফিং, ট্ৰাইবেল ট্ৰেপ আৰু ৰিফ্লেক্স শ্যুটিং ৰেঞ্জ আদিও প্ৰত্যক্ষ কৰে। সেনা জোৱানসকলে তেওঁলোকৰ অনন্য শাৰীৰিক সক্ষমতা, মানসিক দৃঢ়তা আৰু সংকল্পক সুন্দৰভাৱে প্ৰতিফলিত কৰি উন্মু আৰু কাৰাটেৰ কেতবোৰ কৌশলো মুখ্যমন্ত্ৰীৰ সন্মুখত প্ৰদৰ্শন কৰে। ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰটোৰ 'ডাহ অডিটৰিয়াম'ত অনুষ্ঠিত এক বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ৰেজিমেণ্টৰ গৌৰৱময় ইতিহাস সম্বলিত এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰাৰ লগতে সেনা জোৱানসকলৰ দ্বাৰা বিহু নৃত্য,



উত্তৰ-পূৰ্বৰ যোদ্ধাসকলৰ প্ৰদৰ্শন আদি বিভিন্ন প্ৰদৰ্শনীও অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰটোৰ বিষয়া আৰু সেনা জোৱানসকলৰ সৈতে এক অন্তৰংগ আলাপতো মিলিত হয়। তেওঁ বিশেষকৈ ২৪ গৰাকী অগ্নিবীৰৰ পৰিয়াল আৰু ২০ গৰাকী প্ৰাক্তন সৈনিকৰ সৈতে মত বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে অসম ৰেজিমেণ্টেল চেণ্টাৰৰ মুখ্য কাৰ্যালয়ত চেণ্টাৰ

*(তিনিপৃষ্ঠাত চাওক)*

# বানৰ সুযোগ লৈ শিৱসাগৰত

হাজাৰ অবৈধ সন্দেহযুক্ত বাংলাদেশী ইতিমধ্যে প্ৰৱেশ কৰিছে বুলি তেওঁলোকক জনোৱা বুলি মত প্ৰকাশ কৰে। চিতু বৰুৱাই স্পষ্ট কৰি দিয়ে যে আমি শিৱসাগৰক মিনি বাংলাদেশ হ'বলৈ দিব নোৱাৰোঁ। আমি অসমখন বাংলাদেশ-পাকিস্তান হ'বলৈ দিব নোৱাৰোঁ। আৰু এতিয়াই যদি আমি বাংলাদেশী আগ্ৰাসন ৰোধ কৰিব নোৱাৰোঁ, তেতিয়াহ'লে জাতিটো ধ্বংস হ'ব, কিন্তু অনিবাৰ্য। চৰকাৰক এই বিহুৱৰ ৰঙাজান, বিহুৱৰ ২নং ৰে'লৰে কোৰেৰী আৰু বিহুৱৰ গীতি চাইডিং নেপালীবস্তিত অতি শীঘ্ৰেই উচ্ছেদ চলাবৰ কাৰণে আমি দাবী উত্থাপন কৰাৰ লগতে মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তৰংগ গগৈলৈ এই গোটেই তথ্যখিনি প্ৰেৰণ কৰিব বুলি জানিবলৈ দিয়ে। অতি শীঘ্ৰেই যদি অসম চৰকাৰে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে জাতীয় সংগ্ৰামী সেনা অসমে নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিব আৰু ইয়াৰ ফলত উদ্ভৱ হ'বলগীয়া যিকোনো পৰিৱেশ-পৰিস্থিতিৰ কাৰণে জাতীয় সংগ্ৰামী সেনা অসম কোনো কাৰণতে দায়ী নহয় বুলি স্পষ্ট কৰি দিয়ে। 'জাতিৰ কাৰণে মৰিবলৈ আৰু মাৰিবলৈ কোনো কাৰণতে ভয় নকৰোঁ। পিটি পিটি এই বাংলাদেশীক খেদিম। বাংলাদেশীসকলে উজনি অসম ত্যাগ কৰক, অন্যথা এক ভয়ংকৰ যুদ্ধৰ মুখামুখি হ'বৰ কাৰণে সাজু হৈ থাকক' বুলিও সকীয়নি দিয়ে চিতু বৰুৱাই।

# নেপালৰ মহাপ্ৰলয়ত ৭৩৪লৈ

বানবিধ্বস্ত এলেকাত জনবসতিকে ধৰি আন্তঃগাঁথনিৰ অৱস্থা সম্পূৰ্ণৰূপে বিধ্বস্ত। বিশেষকৈ পথ-দলং-বাসগৃহ-বজাৰ আদি সম্পূৰ্ণৰূপে ধ্বংসস্তুপত পৰিণত হোৱাৰ পাছত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। আজিৰ দিনটোতো বানে চাঁহি-মুহি নিয়া অঞ্চলসমূহৰ সৈতে ৰাজধানী কাঠমাণ্ডুকে ধৰি অন্যান্য ভূখণ্ডৰ যোগাযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন। উদ্ধাৰ কৰি চৰকাৰে আশ্ৰয় শিবিৰৰ ব্যৱস্থা কৰিছে যদিও তাতো বিভিন্ন দিশৰ পৰা অসুবিধাৰ সন্মুখীন হক্সবলগীয়া হৈছে দুৰ্যোগপীড়িতসকল। কিয়নো মহাপ্ৰলয়ত কোনোমতে জীৱন ৰক্ষা পৰা লোকৰ সংখ্যা দিনকদিনে বাঢ়ি গৈ আছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ তথ্য অনুসৰি প্ৰলয়ংকৰী বানৰ পিছত দেশখনত ৫১৭জন বিদেশী নাগৰিকৰ সন্ধান পোৱা নাই। সন্ধানহীনসকলৰ তালিকাত আছে বিভিন্ন জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত ৯৩৩জন বিষয়া-কৰ্মচাৰী। তদুপৰি ৪৫জন নেপালী সেনা, ৪০জন আৰক্ষী বিষয়া-জোৱান আৰু ১৯জন ইমিগ্ৰেচন কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীও অদ্যপৰিমিত নিখোঁজ হৈ আছে। ভাৰতৰ বিদেশ মন্ত্ৰালয়ে নেপালত সন্ধানহীন হৈ থকা ভাৰতীয় নাগৰিকৰ তথ্য সদৰী কৰিছে। সেই অনুসৰি ৮৮জন ভাৰতীয় নাগৰিকক দুৰ্যোগৰ কবলৰ পৰা উদ্ধাৰ কৰা হৈছে যদিও বৰ্তমান পৰ্যন্ত কোনোধৰণৰ শুংসূত্ৰ উলিয়াব পৰা নাই ২৮৭জনৰ। তদুপৰি ভাৰতীয় মূলৰ আন ১২৮জন লোকো নেপালত নিখোঁজ হৈ আছে। কেন্দ্ৰীয় বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে আজি ৰসুৱাৰ পৰা ৪ ভাৰতীয় নাগৰিকক সুকলমে উদ্ধাৰ কৰা হয়। তেওঁলোক হৈছে- ৰিপু কুমাৰ, সোণেশ্বৰ নাৰ্জাৰী, কৃপা শংকৰ আৰু মহম্মদ মিনাজুদ্দিন। জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত চাৰিওজন ভাৰতীয় নাগৰিকক শীঘ্ৰে কাঠমাণ্ডুলৈ স্থানান্তৰ কৰাৰ আশা কৰা হৈছে। বানবিধ্বস্ত নেপাললৈ ৬টা ফৰেনছিক দল ভাৰতৰ পৰা প্ৰেৰণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰা বুলিও তেওঁ জানিবলৈ দিয়ে। মূলতঃ মৃতসকলৰ ডিএনএ ছেম্পল পৰীক্ষা কৰাৰ ক্ষেত্ৰত নেপাল চৰকাৰক সহায় কৰাৰ বাবেই এই ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰজনে।

# নেপালৰ জলপ্ৰলয়ত অসমৰ

সোণেশ্বৰ নাৰ্জাৰী, গোলাঘাট জিলাৰ জয়পুখুৰীৰ ৰাহুল দৈমাৰী, হোজাই জিলাৰ ডবকাৰ শতদল নাথ, কামৰূপ মহানগৰ জিলাৰ ৰুক্মিণীগাঁৱৰ পংকজ নেওগ, নলবাৰী জিলাৰ অৰ্ৰাৰ পংকজ বৰ্মন, সমৰ বেজবৰুৱা আৰু অৰুণ মহন্ত, কামৰূপ মহানগৰ জিলাৰ লংকেশ্বৰৰ ড° দীপালী সৰকাৰ, মানস কুমাৰ ঘোষ আৰু নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ ড° তীৰ্থ চলিহা। সন্ধানহীন হৈ থকা এই আটাইকেইজনৰ নাম আজি আনুষ্ঠানিকভাৱে প্ৰকাশ হৈছে যদিও আৰু অধিক লোক সন্ধানহীন হোৱাৰ তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে সামাজিক মাধ্যমযোগে এটা পোষ্ট কৰি নেপালত আবদ্ধ হৈ থকা ৰাজ্যৰ প্ৰতিজন লোককে নিজ ভূমিলৈ ঘূৰাই অনা হ'ব বুলি ঘোষণা কৰিছিল। আবদ্ধ লোকসকলক সুৰক্ষিতভাৱে উদ্ধাৰৰ বাবে চেষ্টা চলাই থকা হৈছে বুলি তেওঁ উল্লেখ কৰিছিল।

**সম্পাদকীয় শিতান...** দেবাশীষ গোস্বামী, নগাঁও

# তেজ শুহা 'Competition'





আমি বসবাস কৰি থকা পৃথিৱীখনৰ চাৰিওফালে কেৱল 'Competition'ৰ পয়োভৰ। মাতৃ গৰ্ভৰ পৰা পৃথিৱীলৈ আহিয়েই কান্দোনেৰে ৰণ জিকাৰ 'Competition'. মাত ফুটি বুজাব পৰা হোৱালৈকে কান্দোনেই ৰণ জিকাৰ একমাত্ৰ অহিলা। মুঠতে কান্দি ৰণ জিকাৰ 'Competition'.

দুৰ্ভাগ্যবশত ভোগ বিলাসেৰে ৰঙীন জীৱন এটা যাপনৰ দুৰ্বাৰ হেপাহত, 'Easy Money'ৰ পিছত জীৱন যুদ্ধৰ ঘোঁৰা দৌৰাঁওতে দৌৰাঁওতে 'Positive Competition' অত কৈ 'Negative Competition' অৰ চক্ৰবেহুত বেয়াকৈ আমি বোৰ সোমাই পৰো আৰু নিজৰ লগতে আন দহ জনৰো জীৱন দুৰ্বিসহ কৰি তোলাত অকনো কৃপনালি নকৰো। নিজ নিজ স্বাৰ্থ পূৰণৰ বাবে কৰা নিকৃষ্ট কৰ্মৰ ফলত তেজ খোৱা, তেজ পিয়া, তেজ খাঁইটি আদি বিভুষেণেৰে বিভুষিত আমি বোৰ। মানবীয় প্ৰমূল্যবোধক ঠেকেছি মোহাৰি মুঠতে কোনে কাৰ মূৰত ভৰি থৈ কিমান বেচি উধাব পাৰো, পুৰা-গধুলি তাৰেই একমাত্ৰ ধান্দা। খাওঁতে-শোওঁতে, উঠোতে বহোঁতে আপোন পৰ চিন্তা নকৰি তেজ কণ শুহি শুহি খোৱাৰ মানসিকতাই ৰঘুমলাৰ দৰে সমাজখন চাতি ধৰিছে। যাৰ আমি কিছু সংখ্যক নিৰ্বাক দৰ্শক মাথো বুকুত অব্যক্ত বেদনাৰে। ৰক্ত পিপাসু ম'হৰ তেজ শুহা শুং ডালে যি দৰে বাচ বিচাৰ নকৰে, তেজ পিপাসু দুঠেঙীয়াইও সন্মুখত মিঠা মুখেৰে পিছফালৰ পৰা কষ্টোপাৰ্জিত তেজ টোপাল শুহিবলৈ মুঠেও পিছ নোহোহোঁকে। আমি তেজ শুহাৰ 'Competition' অত অংশগ্ৰহণ কৰিব নজনা সকলে, নিজৰ লগতে আপোনজন তথা সমাজখনক ৰক্ত পিপাসু দুঠেঙীয়াৰ পৰা সুৰক্ষা দিবলৈ হ'লে ভাল 'Quality' ৰ আঁঠুৱা "Strong Mosquito Repellent" আদি বোৰৰ ব্যৱহাৰেৰে বিভিন্ন 'Pre Caution' গ্ৰহণেৰে সুৰক্ষা চক্ৰৰ ভিতৰত অৱস্থান গ্ৰহণ কৰাটো আমাৰেই নৈতিক দায়িত্ব।

পিছে আপুনি একা? তেজ শুহাৰ 'Competition' অত জীৱন যুদ্ধৰ ঘোঁৰা দৌৰোৱাত আপুনিও ব্ৰতী নে? 'Comptition' অৰ কিমান নম্বৰত আপোনাৰ 'Position'? ১ নম্বৰ 'Position' পাবলৈ আৰু কিমান দূৰ? আৰু কিমান তেজ শুহিব পাৰিলে ১ নম্বৰ 'Position' অৰ আপুনি অধিকাৰী হ'ব পাৰিব? আপোনজনৰ আৰু কিমান তেজ শুহিলে আপোনাৰ ইপ্সিত ভোগ বিলাস তথা ৰঙীন সপোনৰ চৰম সীমা স্পৰ্শ কৰিব?

# আমিনগাঁৱত সাঁতোৰৰ ৰাষ্ট্ৰীয় উৎকৰ্ষতাৰ কেন্দ্ৰ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- শুকুৰবাৰে কামৰূপ জিলাৰ আমিনগাঁৱত অসম চৰকাৰে নিৰ্মাণ কৰা সাঁতোৰৰ ৰাষ্ট্ৰীয় উৎকৰ্ষতাৰ কেন্দ্ৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে ৰাজ্যৰ ক্ৰীড়াৰ উৎকৃষ্টতা আন্তঃগাঁথনি অধিক শক্তিশালী কৰি তুলিলে বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই । বহুকেই গৰাকী খেলুৱৈয়ে আৰ্টিষ্টিক জিমনাষ্টিকছ, ডাইভিং আৰু ৱাটাৰ প'ল' খেলৰ ক্ৰীড়াশৈলী প্ৰদৰ্শন কৰা উদ্বোধনী অনুষ্ঠানতে অসম ক্ৰীড়া প্ৰাধিকৰণ, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু ভাৰতীয় বেডমিন্টন সংস্থাৰ মাজত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সাঁতোৰবিদ গঢ়ি তোলাৰ লক্ষ্যৰে প্ৰায় ৫০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা বিশ্বমানৰ কেন্দ্ৰটোত ৫০ মিটাৰ দৈৰ্ঘ্যৰ ৯টা লেনযুক্ত ছুইমিং পুল, ২৫ মিটাৰৰ ডাইভিং পুল আৰু অলিম্পিক মানৰ ছুইমিং পুলৰ লগতে ১,৩০৯খন আসনৰ দৰ্শক গেলাৰীৰ সুবিধা আছে। প্ৰাৰম্ভিক পৰ্যায়ত ইয়াত ৪০ গৰাকী আৱাসিক খেলুৱৈক অন্তৰ্ভুক্ত কৰাৰ লগতে স্থানীয় খেলুৱৈসকলকো ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ বিশেষ আঁচনিৰ জৰিয়তে অনুশীলনৰ সুযোগ দিয়া হ'ব। ক্ৰিকেট আৰু বেডমিন্টনৰ আন্তঃগাঁথনিৰ সমান্তৰালকৈ সাঁতোৰৰ এই প্ৰকল্পই আমিনগাঁও অঞ্চলটোক ৰাজ্যৰ এক অন্যতম প্ৰধান ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যক অধিক সুদৃঢ় কৰিব। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এখন বুজাবুজিৰ চুক্তিৰ জৰিয়তে আজি উদ্বোধন কৰা সাঁতোৰৰ ৰাষ্ট্ৰীয় উৎকৰ্ষতাৰ কেন্দ্ৰটোৰ পৰিচালনাৰ দায়িত্ব ৩০ বছৰৰ বাবে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণক দিয়া হৈছে। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে কেন্দ্ৰটোৰ সামগ্ৰিক পৰিচালনা, প্ৰশিক্ষক আৰু সহায়ক কৰ্মী নিয়োগ, ক্ৰীড়া সঁজুলিৰ ব্যৱস্থা, প্ৰশিক্ষণ শিবিৰ, প্ৰতিযোগিতা আদিৰ আয়োজন কৰিব। একেধৰণৰ ব্যৱস্থাৰে ভাৰতীয় বেডমিন্টন সন্থাৰ সহযোগত আমিনগাঁৱত স্থাপন কৰা বেডমিন্টনৰ ৰাষ্ট্ৰীয় উৎকৰ্ষতাৰ কেন্দ্ৰটোত প্ৰশিক্ষণ লোৱা অস্মিতা চলিহাকে ধৰি কেইবাগৰাকী খেলুৱৈয়ে লাভ কৰা সফলতাৰ কথা উল্লেখ কৰি তেওঁ আশা কৰে যে সাঁতোৰ কেন্দ্ৰটোৰ পৰাও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰৰ খেলুৱৈৰ সৃষ্টি হ'ব। গুৱাহাটী তথা অসমত ক্ৰীড়া আন্তঃগাঁথনি যথেষ্ট উন্নত হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে (দহ পৃষ্ঠাত চাওক)


# ২৭ অক্টোবৰৰ পৰা গুৱাহাটী-বেংকক বিমানসেৱা



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ বিমান পৰিবহণ খণ্ডৰ বাবে এক সুখবৰ । আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা খণ্ডত সংযোজিত হ'বলৈ আগবাঢ়িছে এক নতুন অধ্যায় । এইবাৰ গুৱাহাটী বিমানবন্দৰৰ পৰা পোনপটীয়াকৈ বেংককলৈ আৰম্ভ হ'ব অসামৰিক বিমান পৰিবহণ সেৱা । সামাজিক মাধ্যমযোগে এই কথা জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি, ২৭ অক্টোবৰৰ পৰা গুৱাহাটী আৰু বেংককৰ মাজত পোনপটীয়া বিমান সেৱা আৰম্ভ হ'ব । এই বিমান সেৱা পৰিচালনা কৰিব ইণ্ডিগ'ৱে । উল্লেখ্য যে ইয়াৰ পূৰ্বে গুৱাহাটী বিমানবন্দৰৰ পৰা দুখনকৈ আন্তঃৰাষ্ট্ৰীয় বিমান পোনপটীয়াকৈ চলি আছিল । নৱনিৰ্মিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা চলিত বৰ্ষত আৰম্ভ ( চাৰিপৃষ্ঠাত চাওক)

# উচ্চ ন্যায়ালয়ত মুখথেকেচা শ্যামকানু-সিদ্ধাৰ্থৰ





ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া অব্যাহত আছে। তাৰ মাজতে গুৱাহাটী উচ্চ ন্যায়ালয়ত মুখথেকেচা খালে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাই। দুই অভিযুক্তৰ আবেদন নাকচ কৰিলে ন্যায়ালয়ে। শ্যামকানু মহন্তই দাখিল কৰা এখন আবেদন আৰু সিদ্ধাৰ্থ শৰ্মাই দাখিল কৰা দুখন আবেদনৰ শুনানি হয় উচ্চন্যায়ালয়ত। ফাষ্টট্ৰেক আদালতে শ্যামকানু মহন্তৰ ওপৰত আৰোপ কৰা জুবিন হত্যাৰ গোচৰৰ ৰায়ক প্ৰত্যহ্বান জনাই কৰিছিল আবেদন। ন্যায়াধীশ মিতালি ঠাকুৰীয়াৰ আদালতে গ্ৰহণ নকৰিলে শ্যামকানু মহন্তৰ আবেদন। আনহাতে সিদ্ধাৰ্থ শৰ্মাই জব্দকৃত ফ্লেট মুকলি কৰিবলৈ উচ্চন্যায়ালয়ত কৰিছিল আবেদন। লগতে ছিংগাপুৰৰ কৰণাৰ্ছ ক'ৰ্টৰ ৰিপ'ৰ্ট সংলগ্ন কৰিবলৈও আবেদন কৰিছিল সিদ্ধাৰ্থই। ন্যায়াধীশ ছামিমা জাহানৰ আদালততে নাকচ কৰে কৰ'নাৰ্ছ ক'ৰ্টৰ ৰিপোৰ্ট সংলগ্ন কৰাৰ আবেদনখন। আনহাতে জুবিন গাৰ্গ হত্যা গোচৰত আন এজন অভিযুক্ত পৰেশ বৈশ্যয়ো জামিন বিচাৰি উচ্চন্যায়ালয়ত জনোৱা আবেদনৰ ভিত্তিত ন্যায়াধীশ প্ৰাঞ্জল দাসৰ আদালতে শুনানি গ্ৰহণ কৰে। আদালতে ট্ৰায়েল ক'ৰ্টৰ পৰা অহা ৰিপ'ৰ্টৰ পিছতহে এই সন্দৰ্ভত চূড়ান্ত ৰায় দিব বুলি সদৰী কৰে। অৱশ্যে ১৮ ছেপ্টেম্বৰত এই সন্দৰ্ভত পুনৰ শুনানিৰ দিন ধাৰ্য কৰা হৈছে। ইপিনে শুকুৰবাৰে বিশেষ ফাষ্টট্ৰেক আদালতত সাক্ষ্যদান কৰে চিকিৎসক হিতেশ বৰুৱাই। (দহ পৃষ্ঠাত চাওক)

# শ্বিলঙৰ অসম

কমাণ্ডেণ্টৰ পৰা সাম্প্ৰতিক পৰিস্থিতি আৰু কেন্দ্ৰটোৰ কাম-কাজ সন্দৰ্ভত এক চমু আলোচনাতো মিলিত হয়। দেশৰ স্বাধীনতা আৰু অখণ্ডতা সুৰক্ষাৰ বাবে জীৱন উছৰ্গা কৰা শ্বহীদসকলৰ ত্যাগৰ কথা সোঁৱৰণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বীৰ সেনানীসকলৰ অদম্য সাহস, বীৰত্ব আৰু দেশপ্ৰেমে নৱপ্ৰজন্মক চিৰদিন অনুপ্ৰাণিত কৰি যাব। অসম ৰেজিমেণ্টৰ বীৰত্ব আৰু ত্যাগৰ এক গৌৰৱময় ইতিহাস আছে বুলি উল্লেখ কৰি তেওঁ কয় যে অসম ৰেজিমেন্টেল চেণ্টাৰ পৰিদৰ্শন কৰা আৰু বীৰ সেনানী তথা তেওঁলোকৰ পৰিয়ালবৰ্গৰ সৈতে সময় অতিবাহিত কৰিবলৈ পোৱাটো তেওঁৰ বাবে এক অতিশয় সন্মানজনক আৰু গভীৰ অনুপ্ৰেৰণাদায়ক অভিজ্ঞতা। 'আমাৰ সেনা জোৱানসকলৰ সাহসেই হৈছে আমাৰ দেশৰ প্ৰকৃত শক্তি। তেওঁলোকৰ এই মহান ত্যাগ আমাৰ সকলোৰে স্মৃতিত চিৰযুগমীয়া হৈ থাকিব'- মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে শ্বিলংস্থিত অসম ৰেজিমেণ্টৰ কাৰ্যালয়ত বিভিন্ন নথি পৰিদৰ্শন কৰি অভিভূত হৈ তেওঁ উল্লেখ কৰে যে বিশেষ আমন্ত্ৰণমৰ্মে উপস্থিত থাকিবলৈ পোৱাটো সৌভাগ্যৰ কথা। পূৰ্বতে বিষ্ণুৰাম মেধি আৰু বিমলা প্ৰসাদ চলিহাৰ দৰে বৰেণ্য ব্যক্তিসকল এই চেণ্টাৰলৈ আহিছিল। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণকালত ১০১ এৰিয়াৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল মোহিত বাধৱা আৰু চেণ্টাৰ কমাণ্ডাৰ ব্ৰিগেডিয়াৰ বিকাশ ৰায় শাণ্ডিল্য উপস্থিত থাকে।

# ডিব্ৰুগড়ত ৰাখী বন্ধনৰ পবিত্ৰ দিনটোত আশা বৃদ্ধাশ্ৰমত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাখী বন্ধনৰ পৱিত্ৰ দিন উপলক্ষে ডিব্ৰুগড়ৰ "আশা বৃদ্ধাশ্ৰম"ত উপস্থিত হৈ আশ্ৰমৰ মাতৃসকলৰ সৈতে সময় কটালে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই উপলক্ষে ডিব্ৰুগড়স্থিত হাতীমূৰা বৃদ্ধাশ্ৰমত থকা মাতৃসকলক বিচনা, লেপ-তুলি, গাৰু, বিভিন্ন খাদ্য সামগ্ৰী আৰু বস্ত্ৰকে ধৰি প্ৰয়োজনীয় সামগ্ৰী আদি আগবঢ়ায়। মাতৃসকলৰ সৈতে আন্তৰিকভাৱে মত-বিনিময় কৰাৰ লগতে তেওঁলোকৰ আশীৰ্বাদ গ্ৰহণ কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। আশ্ৰমখনৰ সেৱা- শুশ্ৰূষাৰ প্ৰশংসা কৰি তেওঁ কয় যে ২০২০ চনৰ পৰাই মঞ্জুলা বৰুৱাৰ নেতৃত্বত আশা বৃদ্ধাশ্ৰমে বিভিন্ন ঠাইৰ পৰা অহা মাতৃসকলক সেৱা-শুশ্ৰূষা আৰু আশ্ৰয় প্ৰদান কৰি আহিছে। মাতৃসকলক জীৱনৰ শেষ সময়- ছোৱাত যত্ন, মৰম আৰু মৰ্যাদা প্ৰদান কৰাটো সন্তান হিচাপে সকলোৰে দায়িত্ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, "মাতৃসকলতকৈ ডাঙৰ গুৰু আন কোনো হ'ব নোৱাৰে"। বৃদ্ধাশ্ৰমৰ মাতৃসকলৰ সান্নিধ্য লাভ কৰি তেওঁলোকৰ চৰণত মূৰ দোৱাই আশীৰ্বাদ গ্ৰহণ কৰি অত্যন্ত আনন্দিত হোৱা বুলিও তেওঁ প্ৰকাশ কৰে। আশা বৃদ্ধাশ্ৰমৰ নিৰ্মাণ আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰত আগন্তুক দিনত চৰকাৰীভাৱে তথা ব্যক্তিগতভাৱেও সম্ভৱপৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে সোনোৱালে। মন্ত্ৰী গৰাকীৰ আগমনে আশ্ৰমৰ মাতৃসকলৰ মাজতো সৃষ্টি কৰে আনন্দৰ পৰিৱেশ। আশ্ৰমত থকা কেন্দ্ৰীয় মন্ত্ৰী গৰাকীৰ শৈশৱ (দহ পৃষ্ঠাত চাওক)

# অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধিৰ বিৰুদ্ধে আছুৰ প্ৰতিবাদ




ৰঙিলী বাৰ্ত্তাসেৱা- খাদ্যবস্তুকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ অবাধ দাম বৃদ্ধিৰ প্ৰতিবাদত আৰু দাম হ্ৰাস কৰাৰ দাবীত বৃহস্পতিবাৰে শদিয়াৰ পৰা ধুবুৰীলৈ, উজনি-নামনিসহ সমগ্ৰ ৰাজ্যজুৰি বিক্ষোভ কাৰ্যসূচী গ্ৰহণ কৰে সদৌ অসম ছাত্ৰ সন্থা, চমুকৈ আছুৱে। প্ৰতিখন জিলা সদৰত বিক্ষোভ সমদল বাহিৰ কৰি প্ৰতিবাদ সাব্যস্ত কৰে আছুৱে। সংগঠনটোৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যই এই সন্দৰ্ভত কয় যে বজাৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ জুই-ছাই দাম। দাম বৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজৰ জীৱন ধাৰণ দুৰ্বিষহ কৰি তুলিছে। সকলো স্তৰতে দাম বৃদ্ধি হৈছে। আছুৰ সভাপতি উৎপল শৰ্মাই এই সন্দৰ্ভত কয় যে যি সময়ত বানৰ বাবে অসমৰ তিনিখন জিলাৰ অৰ্থনীতি তচনত হৈ গৈছে, বহু ঠাই এতিয়াও বানৰ কবলত আছে, সেইখিনি সময়ত দাম হ্ৰাস কৰি ৰাইজক সকাহ দিব লাগিছিল। কিন্তু ইয়াৰ বিপৰীতে অবাধে বস্তুৰ দাম বাঢ়িছে গ'ল। পিঁয়াজ, চেনি, মিঠাতেল সাধাৰণ মানুহে ক্ৰয় কৰিব (দহ পৃষ্ঠাত চাওক)

# কাছাৰৰ লক্ষীপুৰত ১৬৮ কোটি টকাৰ য়াবা টেবলেট জব্দ



ৰঙিলী বাৰ্ত্তাসেৱা- আন্তঃৰাজ্যিক ড্ৰাগছ সৰবৰাহ চক্ৰৰ বিৰুদ্ধে অসম ৰাইফলছ আৰু ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ৰ বৃহৎ সফলতা। কাছাৰৰ পৰা আছাম ৰাইফলছ আৰু ডি আৰ আয়ে বৃহৎ পৰিমাণৰ ১৬৮ কোটি টকাৰ য়াবা টেবলেট জব্দ কৰিবলৈ সক্ষম হৈছে। গোপন তথ্যৰ ভিত্তিত লক্ষীপুৰ সমজিলাৰ শিলচৰ - ইম্ফল ৰাষ্ট্ৰীয় পথৰ জুজুং পাহাৰ এলেকাত অসম ৰাইফলছ আৰু ডি আৰ আয়ে যুটীয়া অভিযান চলাই এখন ট্ৰাকৰ গোপন চেম্বাৰৰ পৰা জব্দ কৰে বুজন পৰিমাণৰ নিচাজাতীয় য়াবা টেবলেট। আছাম ৰাইফলছে এক ( নপৃষ্ঠাত চাওক)

# কংগ্ৰেছ দলৰ বাবেই আজিলৈকে দেশত ইউচিচি বলবৎ হোৱা নাইঃ মুখ্যমন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ প্ৰধান বিৰোধী কংগ্ৰেছ দলটোক মহিলাবিৰোধী দল বুলি কটাক্ষ কৰি দলটোৰ বিৰুদ্ধে সৰৱ হৈ পৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ৰাষ্ট্ৰীয় সংবাদিকৰ সৈতে হোৱা এক বাৰ্তালাপত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- কংগ্ৰেছ এটা মহিলাবিৰোধী দল। কংগ্ৰেছৰ বাবেই আজিলৈকে দেশত ইউচিচি বলবৎ হোৱা নাই। সেয়াই নহয়, কংগ্ৰেছৰ বাবে আজিলৈকে দেশত মহিলাই সমান অধিকাৰ লাভ কৰা নাই। মই কওঁ- কংগ্ৰেছৰ এনে মহিলাবিৰোধী স্থিতিৰ বাবে মহিলাসকলে কংগ্ৰেছক সম্পূৰ্ণৰূপে বয়কট কৰিব লাগে। দেশত আজিলৈকে মহিলাৰ বাবে সমআইনসমূহ বলৱৎ নোহোৱাৰ মূল কাৰণ হ'ল কংগ্ৰেছ। ইফালে, মুখ্যমন্ত্ৰীয়ে দেশত যথেষ্ট চৰ্চা হোৱা জেন জি-জেন আলফা সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। নীটৰ পেপাৰ লিকৰ ঘটনাক লৈ জেন-জিৰ ভূমিকা সন্দৰ্ভত চলা শেহতীয়া চৰ্চাৰ বিপৰীতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- আমাৰ দেশত কোনো জেন জি-জেন আলফাৰ ধাৰণাক আমি বিশ্বাস নকৰোঁ। আমাৰ দেশত কোনোধৰণৰ জেন জি নাথাকে। আমি ল'ৰা-ছোৱালী আৰু ককা-আইতাকৰ সম্পৰ্কতহে বিশ্বাসী। এই ধাৰণা আমেৰিকা, ইউৰোপৰ। এই সংস্কৃতিৰ লগত আমাৰ কোনোধৰণৰ সম্পৰ্কই নাই। (দহ পৃষ্ঠাত চাওক)

# জুবিন হত্যা গোচৰত

ব্যক্তিগত একাংশ প্ৰশ্নৰে সৃজনী মহন্তৰ চৰিত্ৰক লৈও প্ৰশ্ন তোলাৰ লগতে শ্যামকানুৰ ভতিজীৰ সাক্ষ্যক গুৰুত্বহীন কৰাৰো চেষ্টা চলায়। বিশেষকৈ মৌ বিহুক লৈ শ্যামকানু মহন্তৰ অধিবক্তাই তোলা প্ৰশ্নৰ হাঁহিয়েই উত্তৰ দিলে সৃজনী মহন্তই। সাক্ষ্যদানৰ পাছতে সংবাদ মাধ্যমৰ আগত সৃজনী মহন্তৰ মন্তব্য- সামাজিক মাধ্যমত যি পোষ্ট দিছিলোঁ, তাৰ ওপৰতেই আজি আদালতত সাক্ষ্যদান কৰা হয়। আনহাতে শ্যামকানু মহন্তৰ অধিবক্তাৰ প্ৰশ্ন সন্দৰ্ভত সৃজনীয়ে কয়- ব্যক্তিগত কথাৰে আক্ৰমণ কৰাৰ চেষ্টা চলিছিল। অধিবক্তা হিচাপে তেওঁৰ যি দক্ষতা, সেই দক্ষতা তেওঁ দেখুৱাইছে। মই প্ৰশ্নসমূহৰ উত্তৰ দিছোঁ। ঘৰত সোমাই ব্যক্তিগত কথা খোঁচৰাৰ প্ৰয়োজন নাই। গতিকে ব্যক্তিগত কথাবোৰ বাদ দিব লাগে। ৰাজহুৱাভাৱে যি কথা ওলাইছে, তাৰ ওপৰতহে আলোচনা হ'ব লাগে। আনহাতে সিদ্ধাৰ্থ শৰ্মাক চিনি নোপোৱা বুলি মন্তব্য কৰি সৃজনী মহন্তই কয়- জুবিন গাৰ্গক মই সৰুৰে পৰা লগ পাওঁ। জুবিন গাৰ্গে নিশ্চয় ন্যায় পাবই। আনহাতে শ্যামকানু মহন্ত জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ সৈতে জড়িত আছে নে নাই এই সন্দৰ্ভত আপুনি কি ভাবে বুলি কৰা এক প্ৰশ্নৰ উত্তৰত সৃজনীয়ে কয়, মই কি ভাবো সেইটো গুৰুত্বপূৰ্ণ নহয় । আপোনালোকে এনেধৰণৰ প্ৰশ্ন কৰা বন্ধ কৰক বুলি সাংবাদিকক উভতি ধৰিলে সৃজনীয়ে । সকলোৰে ঘৰুৱা কথাৰ পৰা উৰ্ধত থাকি জুবিনৰ বিষয়টো আলোচনা কৰাৰ দৰকাৰ আছে বুলি উল্লেখ কৰি সৃজনীয়ে সকলোকে বৰমূৰীয়াসকলক প্ৰশ্ন কৰিবলৈ কয় । উল্লেখ্য যে, জুবিনৰ মৃত্যুৰ পাছত সামাজিক মাধ্যমত খুৱাক শ্যামকানু মহন্তৰ মুখা খুলিছিল সৃজনী ভাস্ব মহন্তই । খুৱাক শ্যামকানু মহন্তই জুবিন গাৰ্গক পণ্য সামগ্ৰী বুলি কোৱা কথা সামাজিক মাধ্যমত এক পোষ্টযোগে উল্লেখ কৰিছিল সৃজনীয়ে । যাৰ বাবে জুবিন গাৰ্গৰ হত্যাৰ গোচৰত সাক্ষী হিচাপে সৃজনীক অন্তৰ্ভুক্ত কৰিছিল এছ আই টিয়ে। আনহাতে, সৰ্বোচ্চন্যায়ালয়েও সকাহ নিদিলে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু গোচৰৰ অন্যতম মূল অভিযুক্ত শ্যামকানু মহন্তক। ১২ অক্টোবৰলৈকে কাৰাগাৰতে থাকিব লাগিব শ্যামকানু মহন্ত।

# ডিব্ৰুগড়ত ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ ৭ম বাৰ্ষিক সাধাৰণ সভা সম্পন্ন




ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় ৰেডক্ৰছ চ'ছাইটি, ডিব্ৰুগড় জিলা শাখাৰ ৭ম বাৰ্ষিক সাধাৰণ সভাখন ডিব্ৰুগড় জিলাৰ আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত অধ্যক্ষ বিক্ৰম কৈৰী অনুপস্থিত থকাৰ পৰিপ্ৰেক্ষিতত ৰেডক্ৰছ চ'ছাইটিৰ উপাধ্যক্ষ তথা অতিৰিক্ত আয়ুক্ত প্ৰাঞ্জল বৰুৱাই সভাখন পৰিচালনা কৰে। সভাৰ আৰম্ভণিতে ভাৰতীয় ৰেডক্ৰছ চ'ছাইটি, ডিব্ৰুগড় জিলা শাখাৰ সভাপতি ডঃ পঙ্কজ কুমাৰ শ্ৰুতিকৰে উপস্থিত সকলোকে আদৰণি জনায় । যোৱা ১৯ জুলাইৰ পৰা আৰম্ভ হোৱা বানপানীৰ ফলত ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ বানপীড়িত ৰাইজৰ সহায়ৰ বাবে যিসকলে ত্যাগ আৰু সেৱাৰ মনোভাৱেৰে আগবাঢ়ি আহি অতি কম সময়ৰ ভিতৰতে অৰ্থ সাহায্য আগবঢ়ালে তেওঁলোকৰ সকলোকে ৰেডক্ৰছ ছচাইটিৰ তৰফৰ পৰা কৃতজ্ঞতা জনায় ।এই সংগৃহীত ধন অতি তৎপৰতাৰে যোৱা ২৩ জুলাইত চৰাইদেউ জিলালৈ প্ৰেৰণ কৰা হয় । ইয়াৰ ওপৰিও ৰেডক্ৰছ চ'ছাইটিৰ এগৰাকী উদীয়মান সদস্যা মিতালী বৰুৱাৰ একনিষ্ঠ প্ৰচেষ্টাত বিভিন্ন ৰাজ্যৰ পৰা আৰু বিদেশৰ পৰাও এক বুজন সংখ্যক ধন সংগ্ৰহ কৰি ৰেডক্ৰছ চ'ছাইটিক অৰ্পণ কৰাৰ বাবে তেওঁৰ এই মানৱীয় দৃষ্টিভংগীৰ বাবে ছচাইটিৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰে। ( নপৃষ্ঠাত চাওক)

# ২৭ অক্টোবৰৰ পৰা

হ'ব তৃতীয়খন আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই লিখিছে, আকাশী সংযোগৰ নতুন দিগন্ত...এটি ভাললগা খবৰ ।ডুবাই আৰু আবুধাবিৰ পাছত এইবাৰ গুৱাহাটীৰ পৰা বেংককলৈ পোনপটীয়া বিমান সংযোগ আৰম্ভ হ'ব ।অহা ২৭ অক্টোবৰৰ পৰা ইণ্ডিগ'ৱে গুৱাহাটী আৰু বেংককক সংযোগ কৰি এই দুই মহানগৰৰ মাজত যাতায়াত অধিক সুচল কৰি তুলিব । এই নতুন বিমান সংযোগে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু ভ্ৰমণৰ দিশত সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি কৰাৰ লগতে গুৱাহাটীক দক্ষিণ-পূব এছিয়াৰ সৈতে অধিক নিবিড়ভাৱে সংযুক্ত কৰিব ।" আনহাতে দিল্লী আৰু গুৱাহাটীৰ মাজত অচিৰেই হ'ব ফ'ৰলেনযুক্ত ৰে'লপথ। অসমত টুলেনযুক্ত ৰে'লপথ সম্পূৰ্ণ হোৱাৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে ফ'ৰলেনযুক্ত ৰে'লপথ নিৰ্মাণৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তই ৰাজ্যখনৰ আন্তঃগাঁথনি আৰু উন্নয়নৰ দিশত বহুল পৰিবৰ্তন অনাৰ সম্ভাৱনা কঢ়িয়াই আনিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা জানিবলৈ দি উল্লেখ কৰে যে কেন্দ্ৰীয় চৰকাৰে দেশৰ সাতটা ৰে'লৰে ট্ৰেক ফ'ৰলেনযুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

# নেপালৰ প্ৰধানমন্ত্ৰীৰে বাৰ্তালাপ প্ৰধানমন্ত্ৰী মোদীৰ



ৰঙিলী বাৰ্ত্তাসেৰা- চুবুৰীয়া ৰাষ্ট্ৰ নেপালত হোৱা ভয়ংকৰ বান পৰিস্থিতিক লৈ উদ্বিগ্নতা প্ৰকাশ কৰিছে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ভয়ংকৰ প্ৰাকৃতিক বিপৰ্যয়ৰ গৰাহত পৰা চুবুৰীয়া ৰাষ্ট্ৰ নেপালক সকলোধৰণৰ সহায়ৰ আশ্বাস দিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰলয়ংকৰী বানে বৃহৎ এলেকা ধ্বংসস্তূপত পৰিণত কৰাৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে নেপালৰ প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহৰ সৈতে ফোনযোগে বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী মোদীয়ে ভয়াৱহ বানত ঘটা প্ৰাণহানিৰ ঘটনাৰ বাবে শোক প্ৰকাশ কৰাৰ লগতে সম্ভাব্য সকলোধৰণৰ মানসিক আৰু ত্ৰাণ সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীয়ে নিজৰ এক্স হেণ্ডুলত কয়, নেপালৰ প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহৰ ( নপৃষ্ঠাত চাওক)

# বিটিচিৰ উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰীৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৰা- বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ উপাধ্যক্ষ তথা ২৬নং দৰঙাজুলি পৰিষদীয় সমষ্টিৰ চাৰিবাৰৰ এমচিএলএ বিজিৎ গৌৰা নাৰ্জাৰীক বুধবাৰে তামুলপুৰ জিলাৰ কুমাৰীকাটাত থকা নিজা বাসগৃহত মৃত অৱস্থাত উদ্ধাৰ কৰা হয় । স্থানীয় আৰক্ষীৰ মতে, নাৰ্জাৰীক তেওঁৰ বাসগৃহত ওলমি থকা অৱস্থাত উদ্ধাৰ হোৱা বুলি জানিব পৰা গৈছে। বিজিত গৌৰা নাৰ্জাৰীৰ আকস্মিক আত্মহননৰ ঘটনাই সমগ্ৰ ৰাজ্য তথা বিটিচিত তীব্ৰ চাঞ্চল্য সৃষ্টি কৰাৰ লগতে গভীৰ শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত তথ্য অনুসৰি, বিগত প্ৰায় এসপ্তাহ বৰমাস্থিত বাসগৃহত কটাই প্ৰায় তিনিদিন পূৰ্বে কুমাৰীকাটালৈ উভতি অহা উপাধ্যক্ষগৰাকীয়ে বুধবাৰে গোটেই দিনটো নিজ গৃহতে কটোৱাৰ পাছত সন্ধিয়াৰ ভাগত তামুলপুৰ জিলাৰ দক্ষিণ কুমাৰীকাটাস্থিত নিজ বাসগৃহতে চৰম পন্থা বাছি লয় আৰু পিছত তেওঁক কোঠাৰ ভিতৰত চিপ লোৱা অৱস্থাত উদ্ধাৰ কৰা হয়। উল্লেখ্য যে বিটিচিৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ এক অত্যন্ত প্ৰভাৱশালী তথা সৰ্বজনপ্ৰিয় মুখ হিচাপে পৰিচিত বিজিত গৌৰা নাৰ্জাৰীয়ে ২০১০ চনৰ উপ-নিৰ্বাচনত প্ৰথমবাৰৰ বাবে বিপিএফৰ হৈ নিৰ্বাচিত হোৱাৰ পাছত ( দহ পৃষ্ঠাত চাওক)

# মানসজ্যোতিৰ মৃত্যুৰ উচ্চ তদন্তৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৰা- বীৰ লাচিত সেনাৰ নেতা মানসজ্যোতি চেতিয়াৰ ঘটনাৰ তদন্ত ক্ষীপ্ৰ কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বন্যাৰ্ত লোকক সহায়ৰ হাত আগবঢ়াই অহা বীৰ লাচিত সেনাৰ শিমলুগুৰি আঞ্চলিক সমিতিৰ সভাপতি মানসজ্যোতি চেতিয়াৰ বিহুবৰত ৰহস্যজনক পথ দুৰ্ঘটনাত পতিত হৈ মৃত্যু হোৱাক লৈ সৃষ্টি হৈছে ৰহস্য। পথ দুৰ্ঘটনাত পতিত হৈ মানসজ্যোতিৰ মৃত্যু হোৱা ঘটনাক এক পৰিকল্পিত হত্যাকাণ্ড বুলি বীৰ লাচিত সেনাই তুলি অহা অভিযোগৰ পিছতে বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰে দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছে। ইয়াৰ পূৰ্বেই মানসজ্যোতি চেতিয়াৰ মৃত্যুৰ ঘটনাক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীক মৃত্যুৰ ক্ষিপ্ৰ, নিৰপেক্ষ আৰু উচ্চস্তৰীয় তদন্তৰ নিৰ্দেশ দিয়ে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীক এই নিৰ্দেশ দিয়াৰ পাছতে ঘটনাৰ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰক্ষীয়ে। এই অনুসৰি শিৱসাগৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়া ঘটনাস্থলীত উপস্থিত হৈ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰাৰ লগতে আৰক্ষী মহাপৰিদৰ্শক (পূব মণ্ডল), উপ-মহাপৰিদৰ্শক (সদৰ) তথা গুৱাহাটীৰ পৰা যোৱা এটা বিশেষজ্ঞ ফৰেনছিক দল ঘটনাস্থলীত উপস্থিত হৈ প্ৰয়োজনীয় প্ৰমাণ সংগ্ৰহৰ কাম আৰম্ভ কৰিছে। ইতিমধ্যে ঘটনা সন্দৰ্ভত বিহুবৰ থানাত বিএনএছৰ ১০৩(১)/৩ (৫) ধাৰাত গোচৰ ৰুজু কৰা হৈছে। মন কৰিবলগীয়া যে যোৱা ২৩ আগষ্টৰ নিশা মানসজ্যোতি চেতিয়াক চণ্টক-বিহুবৰৰ পথৰ প্ৰজাবস্তি স্কুলৰ সমীপত মটৰচাইকেলসহ আঘাতপ্ৰাপ্ত অৱস্থাত পৰি থকা দেখি এজন সহকৰ্মীয়ে ততালিকে চিকিৎসালয়ত ভৰ্তি কৰিছিল। সংকটজনক ( নপৃষ্ঠাত চাওক)

# জলপ্ৰলয়ত তচনচ নেপাল



ৰঙিলী বাৰ্ত্তাসেৰা- নেপালত পুনৰ প্ৰকৃতিৰ ৰুদ্ৰ ৰূপ। নেপালৰ আকস্মিক বানে সৃষ্টি কৰিছে ভয়াৱহ প্ৰলয়। বুধবাৰে পুৱাতে তিব্বতৰ পৰা বৈ অহা ভোটে কোশী নৈৰ বিশ্বাস কৰিব নোৱাৰা পানীৰ প্ৰচণ্ড সোঁতে তাণ্ডৱলীলাৰ সূচনা কৰে ৰসুৱা জিলাত। সহস্ৰাধিক লোকৰ লগতে বানে উটুৱাই লৈ যায় ইখনৰ পিছত সিখন গাঁও-ঘৰ-দুৱাৰ পথ-দলং-বাহন-বজাৰ একপ্ৰকাৰ অস্তিত্বহীন হৈ পৰে এই প্ৰলয়ংকৰী বানত। উল্লেখ্য যে ৰাজধানী কাঠমাণ্ডুৰ পৰা ১২৫ কিলোমিটাৰ দূৰত্বত অৱস্থিত ৰসুৱা প্ৰায় ৫০ হাজাৰ লোকৰ বাসস্থান। তিব্বতৰ পৰা এই ৰসুৱা হৈয়ে নেপালত প্ৰৱেশ কৰিছে ভোটে কোশী নৈ। বুধবাৰে ( নপৃষ্ঠাত চাওক)

# নেপালৰ প্ৰলয়ংকৰী বানত ১০৫ ভাৰতীয়সহ ২৯১ বিদেশী পৰ্যটক নিৰুদ্দিষ্ট



ৰঙিলী বাৰ্ত্তাসেৰা- নেপালৰ ৰছুৱা জিলাৰ সীমান্তৱৰ্তী অঞ্চলত ভোটেকোশী আৰু ত্ৰিশূলী নদীৰ জলস্তৰে ভয়ংকৰ ৰূপ ধাৰণ কৰি বুধবাৰে পুৱা প্ৰায় ৮.৩০ বজাত তিব্বতৰ দিশৰ পৰা অতৰ্কিত আৰু তীব্ৰ জলস্ৰোতেৰে নামি আহি নিমিষতে কেইবাখনো জিলা প্লাবিত কৰি তুলিলে । ভোটে কোশী নৈৰ প্ৰলয়ংকৰী বানৰ পাছতে নেপালত নিৰুদ্দিষ্ট হৈ আছে ১০৫ ভাৰতীয়সহ ২৯১ বিদেশী পৰ্যটক। এই পৰ্যটকসকল নেপাললৈ গৈছিল তিব্বতৰ কৈলাস মানস সৰোবৰ দৰ্শন আৰু অৱসৰ ( নপৃষ্ঠাত চাওক)

# নতুন দিল্লীত সংবাদ মেল মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৰা- নতুন দিল্লী ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ এই ভ্ৰমণসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীসহ কেন্দ্ৰীয় নেতৃত্বৰ লগত হোৱা আলোচনা আৰু ইয়াৰ ফলাফল সামৰি বুধবাৰে এক সংবাদমেল সম্বোধন কৰে। সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমত হোৱা ভয়াৱহ বানপানীৰ সমস্যা সন্দৰ্ভত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰাৰ লগতে নৱেম্বৰ মাহত নতুন দিল্লীত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অসম চৰকাৰে অনুষ্ঠিত কৰিব সেই সন্দৰ্ভতো আলোচনা কৰিলোঁ। উল্লেখ্য যে, ৰাজ্যৰ বানবিধ্বস্ত এলেকাৰ পুনৰ উন্নয়ন, বানপীড়িত প্ৰায় ৮০ হাজাৰ লোকক সহায় কৰাৰ বাবে এহাজাৰ কোটি টকাৰ সাহায্য বিচাৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে আলোচনাত শেহতীয়াকৈ মিলিত হৈছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। প্ৰায় ১০দিনীয়া দিল্লী ভ্ৰমণত থকা মুখ্যমন্ত্ৰী ড° শৰ্মাই সম্বোধন কৰা সংবাদ মেলত উল্লেখ কৰে যে ৰাজ্যৰ বানপীড়িত অঞ্চলৰ পুনৰ সংস্থাপনৰ বিষয়টো সন্দৰ্ভত গৃহমন্ত্ৰীৰ সৈতে বিস্তৃত আলাপ-আলোচনা হৈছে। সেই আলোচনাত গৃহমন্ত্ৰীগৰাকীয়ে প্ৰয়োজনীয় পুঁজি যোগানৰ আশ্বাস দিছে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়- 'বানপীড়িতৰ পুনৰ সংস্থাপনৰ বাবে এহাজাৰ কোটি টকাৰ প্ৰয়োজন হ'ব। এই ধনৰাশি কেন্দ্ৰীয় চৰকাৰক প্ৰদান কৰাৰ বাবে গৃহমন্ত্ৰীক অৱগত কৰা হৈছে আৰু এই দিশত গৃহমন্ত্ৰীয়ে চিন্তা-চৰ্চা কৰাৰ আশ্বাস দিছে। আনহাতে, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰি অসমৰ কেইবাটাও বিত্তীয় সমস্যা সন্দৰ্ভত আলোচনা কৰা হয়। আনহাতে শিৱৰাজ সিং চৌহানৰ সৈতে হোৱা আলোচনাত চাৰি ( নপৃষ্ঠাত চাওক)

# ‘ন’ (9) ৰ নান্দনিক বিন্যাস




এটা অংকৰে গঠিত ডাঙৰ সংখ্যাটোৱেই হৈছে 9 । বিজ্ঞানী নিকোলা টেছলাই কৈছিল- “যদি আপুনি 3, 6, 9 ৰ মহত্ব বুজি পায়, তেন্তে আপুনি বিশ্বব্ৰহ্মাণ্ডৰ চাবিকাঠি লাভ কৰিব”। ‘9’ সংখ্যাটো এক ৰহস্যময় আৰু ঐশ্বৰিক সংখ্যা বুলিও কোৱা হয়।

9 ৰ কেইটামান বৈশিষ্ট হৈছে —

১) যিকোনো সংখ্যৰ সৈতে 9 যোগ কৰিলে যোগফলত পুনৰ মূল সংখ্যা পোৱা যায়। যেনে

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

5+9=14; (1+4)=5

8+9=17; (1+7)=8

9 ৰ লগত এটা অংকৰে গঠিত সংখ্যা পূৰণ কৰিলে পূৰণফল নিজলৈকে ঘূৰি আহে। যেনে

1×9 =09; 0+9=9

2×9= 18; 1+8=9

7×9= 63; 6 +3=9

10×9=90; 9+0=9

দুটা 9 ৰ লগত 1ৰ পৰা 10 লৈ পূৰণ কৰিলে পাম-

99×1=099 (9+9)=18

99×2=198 (1+9+8)=18

99× 3 = 297

99×4 =396

99×10=990 (9+9+0)=18

একেদৰে তিনিটা 9 ৰ লগত প্ৰথম দহটা স্বাভাৱিক সংখ্যাৰ পূৰণফল হ’ব

999×1=0999 (0+9+9+9)=27

999×2=1998 (1+9+9+8)=27

999×3=2997 (2+9+9+7)=27

*(আঠপৃষ্ঠাত চাওক)*

# শ্মশান



**Swagon Borah**

শ্মশান শুই পৰে সপোন
মাথোঁ এৰি থৈ যায় চকুলো
বগা কাপোৰ
ফুল, জুই, ধোঁৱা
আৰু শেষত - একাজলি ছাই।
যি আছিল মোৰ বুলি,
সি গ’ল উৰি আকাশলৈ,
এৰি থৈ গ’ল খালী বুকু
আৰু নুশুনো মাত।
জ্বলি জ্বলি নুমাই থাকিল
এটা হাঁহি, এখন ঘৰ,
শ্মশানত শুই পৰিল
জীৱনৰ আটাইবোৰ সপোন
উৰি আছে ধূৱা

# ভালপাওঁ তোমাক



**হেৰম্ব নাথ**

উলাহতে চুই চালোঁ তোমাৰ
আলফুল ওঁঠযুৰি
সৰগীয় তন্ময়তাত
কৈ দিলোঁ ভালপাওঁ তোমাক
হিয়া উজাৰি
প্ৰিয়তম তুমি মোৰ
পলে পলে মন যায় ক’বলৈ
ভালপাওঁ তোমাক
মোৰ প্ৰেমৰ জোনাক

# ৰাখী বন্ধন পবিত্ৰ বান্ধোন চিঙিব নোৱাৰা এনাজৰী

মৰমৰ ডোলেৰে ৰাখীবন্ধন গঁথা
এটি পবিত্ৰ বান্ধোনে ভাই-ভনীৰ
এডাল সূতাতে লুকাই থাকে
শত জনমৰ মৰমৰ আপোন।
ভনীৰ হাতৰ কোমল পৰশত
ভাইৰ হাতখনি উজলি উঠে,
ৰাখীৰ মাজত আশীৰ্বাদ থাকে
মঙ্গল কুশলে থাকক, এই
সংযোগ
চিৰদিন চিৰকাল।



**যমুনা দুলু বৈশ্য, শুৱালকুছি**

ভাই-ভনীৰ মাজৰ মৰম, বিশ্বাস আৰু পবিত্ৰ সম্পৰ্কৰ এই উৎসৱে সকলোৰে জীৱনলৈ অনাবিল আনন্দ কঢ়িয়াই আনক। দুৰত্ব যিয়েই নহওক কিয়, হৃদয়ৰ আন্তৰিকতা সদায় থাকক।ঈশ্বৰে সকলোৱেই বাই- ভনী- ককাই-ভাই এই পবিত্ৰ সমন্ধক সদায় কুশলে ৰাখক আৰু জীৱনৰ প্ৰতিটো পথতে সফলতা প্ৰদান কৰক। শুভ ৰাখী বন্ধনৰ মিলনৰ বান্ধোন এয়া যে আত্মাৰ বান্ধোন ।ৰাখী বন্ধন বা ৰাখী পূৰ্ণিমা ভাৰতীয় সংস্কৃতি আৰু সমাজৰ এক পৱিত্ৰ তথা অপূৰ্ব উৎসৱ। ভাদ মাহৰ পূৰ্ণিমা তিথিত উদযাপন কৰা এই উৎসৱে ঘাইকৈ ককাই-ভাই আৰু বাই-ভনীৰ মাজৰ অকৃত্ৰিম মৰম, স্নেহ আৰু সুৰক্ষাৰ বন্ধনক প্ৰতিফলিত কৰে।

পবিত্ৰ এই দিনটোত ভনীয়েকসকলে ককাই-ভাইৰ হাতত ‘ৰাখী’ নামৰ ৰেচমী সুতাৰে তৈয়াৰী ৰঙীন সূতা বান্ধি দিয়ে। ইয়াৰ বিনিময়ত ককাই-ভায়ে ভনীয়েকক উপহাৰ দিয়াৰ লগতে জীৱনৰ প্ৰতিটো কঠিন সময়ত সুৰক্ষা আৰু সহায় কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

হিন্দু পৌৰাণিক কাহিনী অনুসৰি, দেৱৰাজ ইন্দ্ৰৰ পত্নী শচীয়ে অসুৰৰ বিৰুদ্ধে যুদ্ধত জয়ী হ’বলৈ ইন্দ্ৰৰ হাতত সুৰক্ষা কৱচ হিচাপে পৱিত্ৰ সূতা বান্ধি দিছিল। আন এক কাহিনী অনুসৰি, মহাভাৰতত শ্ৰীকৃষ্ণৰ আঙুলি কাটি ৰক্তাক্ত হওঁতে দ্ৰৌপদীয়ে নিজৰ শাৰীৰ আঁচল ফালি শ্ৰীকৃষ্ণৰ হাতত বান্ধি দিছিল, আৰু শ্ৰীকৃষ্ণই দ্ৰৌপদীক সকলো বিপদৰ পৰা ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিছিল।

ৰাখী বন্ধন কেৱল একেটা পৰিয়ালৰ ভাই-ভনীৰ মাজতে সীমাবদ্ধ নহয়। ই সমাজৰ বিভিন্ন ব্যক্তিৰ মাজত ভাতৃত্ববোধ, ঐক্য আৰু সম্প্ৰীতি গঢ়ি তোলাত সহায় কৰে। কোনো ধৰ্মীয় বা জাতিগত ভেদাভেদ পাহৰি সকলোৱে মাজত সৌহাৰ্দ্য স্থাপন কৰাত এই উৎসৱে বিশেষ ভূমিকা পালন কৰে।

বৰ্তমান সময়ত ৰাখী বন্ধনৰ পৰিসৰ আৰু অধিক ব্যাপক হৈ পৰিছে। কেৱল ককাই-ভাইয়েই নহয়, সুৰক্ষা আৰু মৰমৰ চিহ্ন স্বৰূপে বাই-ভনীসকলে ইজনে সিজনক, অথবা দেশৰ সুৰক্ষাত নিয়োজিত সেনা-জোৱান সকলকো ৰাখী বান্ধি সন্মান জনায়।

সামৰণিত, ৰাখী বন্ধনে আমাক সামাজিক প্ৰমূল্যবোধ, দায়িত্ববোধ আৰু আপোনজনৰ প্ৰতি থকা কৰ্তব্যৰ কথা সোঁৱৰাই দিয়ে। ই কেৱল এডাল সুতাৰ উৎসৱ নহয়, বৰঞ্চ বিশ্বাস, দায়িত্ব আৰু অন্তহীন মৰমৰ এক পৱিত্ৰ বান্ধোন ।ব্ৰহ্ম কুমাৰী বেহেনে সকলে এই পবিত্ৰ ৰাখী পিন্ধাই আত্মা আৰু পৰমআত্মাৰ সংযোগৰ মাধ্যমেৰে নিজৰ নিজৰ অৱগুণ বিলাক বাবাৰ ওচৰত অৰ্পন কৰিব লাগে। মানৱ জীৱনটোত ঈশ্বৰৰ পৰা ভাল গুণ বোৰ দয়া, ক্ষমা, প্ৰেমৰ মাজেৰে পবিত্ৰ স্বচ্ছ হৃদয়ৰ ব্যক্তিয়ে আনৰ ভাল গুণবোৰহে দেখে । ঈশ্বৰৰ সন্তান হোৱা মানে ঈশ্বৰৰ গুণ নিজৰ মাজত প্ৰকাশিত কৰিব লাগে ।

# অসমীয়া সমাজ জীৱনত ভাদ মাহ

**মুন শৰ্মা, লখিমপুৰ**

ভাদ... অসমীয়া বৰ্ষপঞ্জীৰ বাৰ মাহৰ ভিতৰত এটা অন্যতম মাহ, যি অসমীয়া মাহ সমূহৰ পঞ্চম মাহ হিচাপে ধৰা হয়। চাবলৈ গলে দেখিম যে, অসমীয়া সমাজ জীৱনৰ বিভিন্ন বৈশিষ্ট্য বিৰাজমান প্ৰতিটো অসমীয়া মাহৰ দৰেই ভাদ মাহটো ও অতিকৈ গুৰুত্বপূৰ্ণ আৰু বৈশিষ্টপূৰ্ণ মাহ। য'ত ভক্তি ৰস, আধ্যাত্মিকতা আৰু একতাৰ নিদৰ্শন দেখা যায়।

উল্লেখ্য যে, ইংৰাজী বৰ্ষপঞ্জীৰ আগষ্ট আৰু ছেপ্টেম্বৰ মাহৰ মাজ ভাগৰ সময় চোৱাত এই মাহৰ সময় আৰু ই অসমীয়া সমাজৰ সংস্কৃতি আৰু ধৰ্মীয় পৰম্পৰা বিশেষ ভাবে দাঙি ধৰে। প্ৰকৃতিয়ে বাৰিষাৰ ৰূপ সলনিৰ প্ৰস্তুতি চলাই বাৰিষা শেষ কৰি শৰৎৰ লগত মিতি পতাৰ দিশে অগ্ৰসৰ হৈ অন্য এক ৰূপ লয়, ৰদ বৰষুণৰ লুকা- ভাকু, কলীয়া মেঘৰ কৰাল আঁতৰাই প্ৰায় নীলা মুকলি নীলিম আকাশৰ ঠিকনা লৈ টুকুৰা টুকুৰ ডাৱৰৰ শুকুলা মেঘৰ টুকুৰা ঘূৰি ফুৰা মোহনীয়া আকাশৰ এই সময়ত মূলত এফালে গোটেই মাহ জুৰি, হৰিনাম, নাম - প্ৰসঙ্গ, বৰগীত আৰু ভাওনাৰ দৰে অসমীয়া সংস্কৃতিৰ প্ৰতিফলন কৰি মিঠা সুৰীয়া সুবাসী পৰিৱেশ সৃষ্টি কৰে, অন্যফালে অসমীয়া জাতিৰ জনক তথা গুৰু দুজনা শঙ্কৰদেৱ আৰু মাধদেৱ দেৱৰ তিথি, অসমীয়া সমাজত বহুল ভাবে বিস্তৃত ঈশ্বৰ শ্ৰীকৃষ্ণৰ জন্ম উৎসৱ পালন কৰা হয় হেতুকে ভক্তিৰ ৰসে অসমৰ আকাশে বতাহে গোটেই খন মুখৰিত হৈ উঠে।



আকৌ... জ্যোতিষ শাস্ত্ৰৰ মতে পূৰ্বভাদ্ৰ পদ নামৰ নক্ষত্ৰৰ পৰা এই মাহৰ নাম উৎপত্তি হোৱা বুলি বিশ্বাস কৰা ভাদ মাহক অসমীয়াৰ শ্ৰম আৰু বিশ্বাস ৰ মাহ বুলি ও কোৱা হয়, কিয়নো... অসমীয়া অন্য মাহ সমূহৰ দৰে এই মাহৰ লগতো বহুতো লোকবিশ্বাস প্ৰচলিত হৈ আহিছে, বিশ্বাস অনুসৰি এই মাহত বিয়া পতা আৰু নতুন ঘৰত প্ৰৱেশ কৰা কাৰ্য নিষিদ্ধ এই কাম অমঙ্গলৰ কৰক ৰূপে জনা যায়, তাৰ বাহিৰে ও ভাদত মেঘৰ মুহূৰ্ত বেগ বুলি এটি কথাৰ প্ৰচলন আছে, যাৰ অৰ্থ হিচাপে, ভাদ মাহ ত মানুহে মানুহক দিয়া কথা বা প্ৰতিশ্ৰুতি বেছি দিন নাযায় বুলি বিশ্বাস কৰে, অন্য হাতে ভাদ মাহত তাল কঁঠাল এই দুবিধ ফল অধিক খোৱাটো বেয়া বুলি মান্যতা আছে, কাৰণ ফল দুবিধ অধিক খালে ৰোগ হয় বুলি বিশ্বাস কৰে, আকৌ জন সমাজত ভাদ মাহত বেয়া সপোন দেখিলে পুৱা উঠি প্ৰথমে পানীক কব লাগে বুলি আমাৰ জেষ্ঠ সকলৰ বা অতীতৰ পৰা মুখ বাগৰি অহা কথা এটি কয়। তেনে দৰে ভাদত পানী ঘৰত ধান বুলি এটি কথা প্ৰচলন হৈ আহিছে, ইয়াৰ অৰ্থ হল যে ভাদ মাহত অধিক বৰষুণ দিলে খেতি ভাল হয় আৰু কৃষক সকলে ভঁৰালত অধিক ধান লাভ কৰে।

# অশ্ৰুসিক্ত আকুতি




**ভটিমা ৰাজবংশী, নলবাৰী**

আৰু নো কিমান দিন আই,
তোমাৰ স্নেহময়ী শীতল কোলাত
থাকিব মোৰ ক্ষুদ্ৰ জীৱনৰ ঘাটি?
আৰু নো কিমান ৰাতি আই,
তোমাৰ বিতোপন সাদৰী কোলাত
জ্বলিব মোৰ প্ৰাণৰ চাকি।
আৰু নো কিমান দিন আই,
জন্ম, মৃত্যু, জৰা, ব্যাধি —
ক'ত যুগ-যুগৰ এই প্ৰবৃত্তি!
সাথৰ যেন এই কালৰ বৃত্তি, তথাপি...
জীৱন জীয়াই থকাৰ লালসাত আই
মৃত্যুৰ সংশয়ৰ নাপাওঁ নিবৃত্তি।
তুমি তো জ্ঞাত আই,
চৌৰাশী যোনিৰ উশাহ এৰি
মধুময় জীৱন পাওঁ পুণ্য কৰি;
কোন সতে যাম আই,
এই বিনন্দীয়া ধৰাৰ আলয় এৰি?
পঞ্চতত্ত্বই দিলে...
অস্থায়ী দেহৰ জীৱন আই,
তুমিও দিলা প্ৰাণ শিলত ঠাই।
জন্মদাত্ৰী আইৰ প্ৰাণৰ তনয় মই,
আত্মীয়ৰো বুকুৰ আপোন মই;
কোন স'তে চিঙি যাম
এই মৰমৰ এনাজৰী মই?
তুমিও ভালদৰে জানাই আই,
পলে পলে মই ল'লোঁ জগতৰ ঋণ;
আত্মাও চোন নহয় শৰীৰৰ অধীন।
দেহৰ প্ৰতিটো কোষ দান কৰিলেও আই,
পৰিশোধ কৰিব নোৱাৰিম এই অমূল্য ঋণ।
সেয়েহে সমস্ত জগতেই আই
মোৰ পূজনীয় কুল-দেৱ-দেৱী,
ক্ষুদ্ৰ জীৱনত কেনেকৈনো আই যাওঁ সেৱি!
দয়া কৰি আই দিবা মোক,
জনমে জনমে তোমাৰ চৰণ সেৱিবৰ ঠাই।
আৰুনো আই কিমান প্ৰহৰ আছে বাকী?
যাব লাগিব টুলুঙা জীৱন-নাও লৈ ভাটি;
ঘঁহি লওঁ কপালত এবাৰ
আই তোমাৰ শীতল পুণ্য মাটি,
ক্ষুদ্ৰ পলত পৱিত্ৰ মনেৰে
কৰি যাওঁ দণ্ডৱতে প্ৰণাম এটি।

# ভাদ মাহ

**নমিতা দাস,শুৱালকুছি**



"ভাদৰে ৰোহিণী অষ্টমী তিথিতে ৰংগ কৰে দেৱ গণে
কংসৰে কাৰাগাৰে দৈৱকীৰ উদৰে জন্মিলে নাৰায়ণে"
মৎস, কূৰ্ম, নৰসিংহ, বামন, পৰশুৰাম,
হলিৰাম, বৰাহ, শ্ৰীৰাম
বুদ্ধ, কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহো প্ৰণাম"

ভাদ মাহত ৰোহিনী নক্ষত্ৰযুক্ত অষ্টমী তিথিত ভগৱান শ্ৰী কৃষ্ণৰ জন্ম হৈছি । সেই শুভক্ষণত দেৱগণে আনন্দৰ উৎসৱ পাতি পুষ্প বৃষ্টি কৰিছিল। যুগে যুগে হৈ থকা মত্যৰ দুষ্টক দমন কৰি অত্যাচাৰ অনাচাৰ, শোসন উৎপিড়ন অবিচাৰ ন্যাসিবলৈ বিভিন্ন অবতাৰ ধাৰণ কৰি পাপি সকলক নাস কৰি পাপ মুক্ত কৰিবলৈ মৈত্ৰত ভগৱানৰ আবিৰ্ভাব হয় । সেই অৱতাৰ বোৰৰ ভিতৰতে অষ্টম অবতাৰ শ্ৰীকৃষ্ণ ৰূপে কংসৰ কাৰাগাৰত দৈবকীৰ উদৰে জন্ম হল। কংস ৰজাৰ ভনী দৈৱকীৰ বিয়াৰ দিনা ভগ্নীৰ বিদায় মুহূৰ্তত আকাশবাণী হৈছিল । "দৈৱকীৰ অষ্টম সন্তানৰ হাতত কংসৰ মৃত্যু অপৰিহাৰ্য"। সেই তেতিয়াৰ পৰা মহা প্ৰতাপি কংসই বসুদেৱ আৰু দৈৱকীক কাৰাগাৰত বন্দি কৰি ৰাখিছিল ।

বিশ্বাসে মিলয় হৰি বুলি এসাৰ প্ৰৱচন আছে। গতিকে আমি বিশ্বাস কৰা মতে নিজ ধৰ্মৰ ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত হৈ পৰোঁ । মানুহৰ ভয়, সংকা আৰু আশা আকাংক্ষা বোৰ পূৰণৰ নিমিত্তে নিজৰ উপাস্য দেৱতাৰ ওচৰত প্ৰণিপাত জনাই নিজৰ লগতে পৰিয়ালৰ সুখ শান্তি অতুত ৰখাৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয় । দৈৱকী আৰু বসুদেৱেও কাৰাগাৰত ভগৱানক উপাসণা কৰি পূৰ্ব জন্মৰ কৰ্মৰ ফলতে ত্ৰিজগতৰ পতি হৰিক তেওঁলোকৰ পুত্ৰ হিচাপে লাভ কৰিছিল ।

পৃথিৱীত পাপি-তাপিৰ ভাৰ সহিব নোৱাৰা হোৱাৰ সময়তে ভগৱানে আহি দুষ্টক দমন আৰু শান্তক পালন কৰে। ভগৱান শ্ৰীকৃষ্ণৰ জন্মও ডাপৰযুগত হৈছিল । প্ৰৱল প্ৰতাপি কংস ৰজা উগ্ৰশেন আৰু ৰাণী পদ্মৱতীৰ পুত্ৰ আছিল । নিজৰ পিতৃ উগ্ৰশেনক কাৰাগাৰত ৰাখি নিজে ৰজা হৈ প্ৰজা গণৰ ওপৰত নিজ ইচ্ছামতে অত্যাচাৰ চলাইছিল। সেই অত্যাচাৰ ৰুধিবলৈ কংসৰ কাৰাগাৰত ভগৱান শ্ৰীকৃষ্ণৰ জন্ম হল যদিও বসুদেৱক আকাশ বাণী কৰি শুনাই দিছিল যে গকুলৰ ৰজা নন্দৰ ঘৰে সেই একে সময়তে যোগমায়াৰ জন্ম হব । গতিকে যমুনা নৈ পাৰ হৈ কৃষ্ণক যশোদাৰ ওচৰত থৈ যোগমায়াক লৈ আহি দৈৱকীৰ লগত ৰাখিব লাগে । নহলে কংসৰ অত্যাচাৰ (বাৰপৃষ্ঠাত চাওক)

# সুন্দৰতা উপভোগ



মানৰ মনৰ অকৃত্ৰিম অনুভৱবোৰক বিমল শৈল্পিক ৰূপত সজাই তুলিব পাৰি। প্ৰকৃতিৰ নিভাঁজ ৰঙবোৰৰ মাজত যেনেকৈ সুন্দৰতা উপভোগ কৰিব পাৰি ঠিক তেনেকৈ যিবোৰ কৰ্মত কৃত্ৰিমতা নৰখাকৈ কৰি যোৱা হয় তাতে থাকে অপাৰ আনন্দ। বিনন্দীয়া বিতোপন জীৱন যাত্ৰাৰ মাজত ভাল লগা অনুভৱবোৰ সজাই পৰাই লবলৈ হ'লে আমাক অতি দৰকাৰী এটি গুণৰ সেইটো হৈছে দৃষ্টিৰ প্ৰসাৰতা। প্ৰতিটো দিনতেই নতুন ভাৱৰ উদ্ৰেক ঘটাব পাৰি যদিহে কামবোৰ একেঘেয়ামী নহয়, একেটা কাম কৰি আমি বহুতেই বেয়া পাও, বা কামটোৰ প্ৰতি অনীহা আহে, তেতিয়া সেই কামটোকে অন্য ধৰণে অথাৎ ব্যতিক্ৰমী ভাৱে কৰিলে তাত থাকে আনন্দ । নতুনত্ব কেনেকৈ পাব পাৰি সেয়াও আমাৰ বাবে চিন্তণীয় বিষয় হব পাৰে, আমি কামটো কৰাৰ কৌশল সম্পৰ্কে জানিব লাগিব, । কামটোৰে নিজৰ লগতে আনকো সন্তুষ্ট দিব পাৰিব লাগিব আৰু কামটোৰ প্ৰতি আগ্ৰহ থাকিব লাগিব। যেনেকৈ ৰাতিপুৱা শুই উঠি সদায় একেটো ৰাস্তাৰে খোজকাঢ়ি গৈ থাকিলে আমাৰ আমনি লাগে কাৰণ সদায় একেকিখিনি বস্তুকে চকুৰ আগত দেখি থাকিলে ভাল নালাগিবও পাৰে। কিন্তু আমি যদি গতিপথ সলনি কৰি বেলেগ এটা পথেৰে যাত্ৰা কৰো, যাত্ৰাপথত নতুন কিছুমান বস্ত দেখা পাওঁ তেতিয়া মনটো ভাল লাগে যেনেকৈ নতুন ঠাই এখনলৈ গলে তাত কি কি নতুন বস্ত দেখা পাম বা চাবলৈ অনুসন্ধিসু মনে বিচাৰে সেইদৰে প্ৰতিটো পল অনুপ'লেই বিচাৰিব জানিলে নতুনৰ সুৱাস পাব পাৰি।

দৈনন্দিন খাদ্যৰ তালিকালৈ যদি মন কৰো সদায় একেবোৰ খাদ্য আমাৰ ভাল নালাগে, কিন্তু একেবোৰ শাক পাচলিকে বা খাদ্যকে যদি অলপ বেলেগ ধৰণে জুতি লগাই বনোৱা হয় তাৰ সুস্বাদ আমাৰ জিভাত লাগি যায়, গতিকে প্ৰত্যেকটো কৰ্মতে থাকে নতুনত্ব, কেৱল প্ৰয়োগ কৰাৰ ওপৰতে সকলোখিনি নিৰ্ভৰ কৰে।

বহুসময়ত দেখা যায় প্ৰশংসাই নতুন চিন্তাৰ জন্ম দিয়াত সহায় কৰে । প্ৰশংসা কেতিয়া কৰা হয়? যেতিয়া ব্যক্তিজনে সুন্দৰ ভাৱে যিকোনো এটা কাম কৰে আৰু সেই কামটোৱে যেতিয়া আনক আৰ্কষিত কৰিব পাৰে। ল'ৰা ছোৱালীয়ে বিদ্যালয়, মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয়ত যেতিয়া সুনাম অৰ্জন কৰে, তেতিয়া আমি প্ৰশংসা কৰো। প্ৰত্যেকৰে বেলেগ বেলেগ দিশত প্ৰতিভা লুকাই আছে। গতিকে আমি তেনে ধৰণে প্ৰশংসা কৰিব লাগিব। কিন্তু কেতিয়াবা এনে হোৱাও দেখা যায় পাওা দি প্ৰংশসা কৰি আগস্থান দিলেই ভাল, আৰু নিদিলেই বেয়া ।

সন্মানেই হওঁক বা প্ৰশংসাই হওঁক নিজে বিচাৰি ফুৰাতকৈ স্বতঃস্ফুতঃভাৱে আহিলে বেছি আনন্দদায়ক হয়। সততাৰে, একাগ্ৰতাৰে আৰু নিষ্ঠাসহকাৰে কাম কৰিলে প্ৰশংসাৰ পাত্ৰ হব পৰা যায়। অৰশ্যে ঠেলা হেঁচা, বৈষম্য, হিংসাহিংসি মনোভাৱ লৈ প্ৰশংসা বুটলিবলৈ গলে তাৰ গুৰুত্ব মাথো সেই সময়খিনিৰ বাবেহে যিখিনি সময় পুনৰাই মানুহে বিচাৰিব নোখোজে। গতিকে জনপ্ৰিয়জনে কেতিয়াও জোৰজবৰদস্তি প্ৰশংসা বিচাৰি নুফুৰে।

ভাল কামৰ ফল সদায় ভালেই হয় । স্বীকৃতি কোনোৱে হয়তো দিব খোজে, আকৌ কোনোৱে হয়তো নিদিয়ে। যেনেকৈ সুৰ্যক কোনোৱে ঢাকি ৰাখিব নোৱাৰে ঠিক সেইদৰে প্ৰতিভা থাকিলে কৰ্ম কৰি গলে মানুহে হিংসা কৰিলেও ভগৱানে এদিন চকুমেলি চায় আৰু তেতিয়াই ব্যক্তিজন সকলোৰে প্ৰিয়ভাজন হয় আৰু প্ৰশংসা কৰিবলৈ বাধ্য হয় ।

নতুন নতুন কামৰ সন্ধান দিয়াত প্ৰশংসাই প্ৰেৰণা যোগাব পাৰে । ঘৰুৱা কাম কাজৰ ক্ষেত্ৰতো যদি মন কৰো তেন্তে দেখা পাম ঘৰটো পৰিপাটীকৈ থলে, সকলো বস্তু সজাই পৰাই ৰাখিলে আলহীৰ আগমন ঘটিলে যদি সুন্দৰ মন্তব্য কৰে তেন্তে মনটো ভাল লাগে। ঠিক তেনেকৈ পাকঘৰত ৰান্ধনিগৰাকীয়ে বহু কষ্ট কৰি খোৱা যতন কৰাৰ পাছত যেতিয়া আঞ্জাখন ভাল হৈছে বুলি কোৱা হয় যিমান কষ্টৰে ৰান্ধিলেও মনটো ভাল লাগে আৰু নতুন কিবা এটা ব্যঞ্জন ৰান্ধিবলৈ মনত শক্তি পায়।

সৰু ল'ৰা ছোৱালীৰ ক্ষেত্ৰতো প্ৰশংসাই বহুখিনি আগুৱাই যোৱাত সহায় কৰিব পাৰে। পাঁজি সেৰীয়া আঙুলিৰে ৰুই থোৱা গছপুলি এটা লহপহকৈ বাঢ়ি গোজেই গজালি হৈ ধৰাখনি জ্যোতিস্মান কৰি তুলিবলৈ হ'লে যথেষ্ট আপদাল প্ৰতিপালনৰ আৱশ্যক আছে তেনেকৈ সৰু লৰাছোৱালীকো সৰুৰেপৰা সৰু সৰু কামবোৰত প্ৰেৰণা দিলে উন্নতিৰ জখলা বগাবলৈ সহজসাধ্য হ'ব । ব্যস্ত

**দুলুমণি দেৱী, মাকুম**

(বাৰপৃষ্ঠাত চাওক)

# 'ন' (9) ৰ নান্দনিক বিন্যাস

$999\times4=3996$

$999\times10=9990$ $(9+9+9)=27$

পূৰণ নকৰাকৈ পূৰণফল লিখাৰ কৌশলটো হৈছে- পূৰণফলৰ সংখ্যাটোত মাজত দুটা ৯৯ আৰু বাঁৱে -সোঁৱে ০ ৰ পৰা ৯ লৈ অংক কেইটা ক্ৰমে উৰ্দ্ধক্ৰম আৰু অধঃক্ৰমত বহুৱালেই হ'ব। একেদৰে 9999 বা 99999 ৰ পূৰণফল হ'ব

$9999\times1=09999$

$(0+9+9+9+9)=(36)$

$9999\times2=19998$

$(1+9+9+9+8)=36$

$9999\times10=99990$

দেখা যায় যে 1 ৰ পৰা 10 লৈকে 9, 99, 999 ... ৰে পূৰণ কৰিলে পূৰণফলৰ অংক কেইটাৰ যোগফল ক্ৰমে 9 ৰ গুণিতক (9, 18, 27....)হয়। পাঁচটা 9 ৰ সৈতে 1ৰ পৰা 10 লৈ কৰা পূৰণটো তোমালোকৰ বাবে এৰিলোঁ। পূৰণ নকৰাকৈ পূৰণফল লিখিবা।

9 ৰ আন এক ৰহস্য ঃ

এটা অংকৰে গঠিত স্বাভাৱিক সংখ্যা কিমান টা? উত্তৰ 9 টা। এতিয়া দুটা, তিনিটা, চাৰিটা...অংকৰে গঠিত স্বাভাৱিক সংখ্যা কিমান হ'ব?

ধৰা হ'ল দুটা অংকৰে গঠিত স্বাভাৱিক সংখ্যা উলিয়াব লাগে। তাৰ বাবে দুটা অংকৰে গঠিত ডাঙৰ সংখ্যাটোৰ পৰা সৰু সংখ্যাটো বিয়োগ কৰি বিয়োগফলৰ লগত এক যোগ দিলে স্বাভাৱিক সংখ্যাৰ পৰিমাণ ওলাব। অৰ্থাৎ দুটা অংকৰে গঠিত ডাঙৰ সংখ্যা 99

দুটা অংকৰে গঠিত সৰু সংখ্যা 10

সংখ্যা দুটাৰ পাৰ্থক্য $(99-10)=89+1=90$ ।

তিনিটা অংকৰে গঠিত (100 ৰ পৰা 999 লৈ) মুঠ সংখ্যা হ'ব=900। $[(999-100)+1=900]$

4টা অংকৰে গঠিত মুঠ স্বাভাৱিক সংখ্যা হ'ব 9000। কেনেকৈ পালোঁ উলিয়াই চাবাচোন।

সময় আৰু জ্যামিতিত 9 ৰ ৰহস্যঃ সম্পূৰ্ণ বৃত্ত $360^\circ=3+6+0=9$

অৰ্ধবৃত্ত $180^\circ=1+8+0=9$

সমকোণ $90^\circ=9+0=9$

$45^\circ=4+5=9$ ।

এদিনত 86, 400 চেকেণ্ড, 8+6+4+0+0=18=1+8=9। ৰহস্যময় সংখ্যা নহয় নে বাৰু 'ন'!

# আইৰ পথাৰৰ ৰঙীণ সপোন



**ৰুমী কলিতা দত্ত, ডিব্ৰুগড়**

লুইতৰ বুকুত বালি-শিলে পুতিলে
দিহিং-দিচাঙো শুকাই গ'ল,
দিখৌ বাঢ়িলে ফেনে-ফুটুকাৰে
সপোনৰ গাঁওখন উটুৱাই লৈ গ'ল!
আইৰ পথাৰৰ ৰঙীন সপোনবোৰ
উকা মৰুভূমি হৈ ৰ'ল
বহি আছোঁ আকাশলৈ চাই মুৰ তুলি
আমাৰ সম্পদ আনে কাঢ়ি নিলে
হেৰুৱালোঁ নিজৰ অস্তিত্বৰোৰ ছাঁ কৰি।
বুকুত জ্বলা ক্ষোভৰ জুইয়ে
আজি মাতিছে প্ৰতিবাদৰ হাঁক,
ঐক্যৰ বন্দনাৰে ৰাইজে তুলিলে
নতুন পুৱাৰ সঁহাৰিৰ ৰাক।
সুপ্ত হিচাপ সোঁৰৱাই দিবলৈ
সকলোৱে ল'লোঁ পোহৰৰ পণ,
মাতৃভূমিৰ হৃত গৌৰৱ ঘূৰাই আনিবলৈ
আজি সমগ্ৰ ৰাইজৰ হ'ল জাগৰণ।

# নেপালৰ প্ৰধানমন্ত্ৰীৰে

সৈতে বান পৰিস্থিতিৰ সন্দৰ্ভত বাৰ্তালাপ কৰিলোঁ । লগতে বানপানীৰ ফলত প্ৰাণ হেৰুওৱাসকলৰ বাবে শোক প্ৰকাশ কৰিছোঁ । নেপালৰ এই কঠিন সময়ত ভাৰতৰ জনসাধাৰণে নেপালৰ দুৰ্ভগীয়া লোকৰ কাষত থিয় হৈ আছে । ভাৰতে নেপালক সম্ভৱপৰ সকলো ধৰণৰ মানৱীয় সাহায্য প্ৰদান কৰিবলৈ সাজু । আমাৰ উদ্ধাৰকাৰী দলসমূহে উদ্ধাৰ আৰু সাহায্যৰ ক্ষেত্ৰত সহায় কৰিব। ইফালে তাৎক্ষণিক সহায় হিচাপে বানবিধ্বস্ত নেপাললৈ ভাৰতীয় বায়ুসেনা বাহিনীৰ এক বিশেষ বিমানযোগে সাহায্য সামগ্ৰী প্ৰেৰণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি আইএএফ চি-১৩০ নম্বৰৰ এখন এয়াৰক্ৰাফ্টে নেপাল অভিমুখে উৰা মৰাৰ কথা। য'ত লৈ যোৱা হ'ব টেন্ট, ব্লেংকেট আদিকে ধৰি বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰী। ইফালে বুধবাৰে পুৱাই নেপালত অহা বানৰ বাবে বিহাৰটো হাই এলাৰ্ট জাৰি কৰা হৈছে । বিহাৰ চৰকাৰ, দুৰ্যোগ ব্যৱস্থাপনা বিভাগ আৰু জিলা প্ৰশাসনে কেইবাখনো জিলাত হাই এলাৰ্ট জাৰি কৰিছে ।ইফালে ভাৰতীয় উচ্চায়ুক্তই নেপালত থকা ভাৰতীয় নাগৰিকসকলৰ বাবে হেল্পলাইন নম্বৰ জাৰি কৰিছে ।

# জলপ্ৰলয়ত তচনচ

পুৱা প্ৰায় ৮.৩০ বজাত হঠাতে নৈখনৰ জলস্তৰ অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰে। অকল জলস্তৰ বৃদ্ধি পোৱাই নহয়, মুহূৰ্ততে প্ৰচণ্ড সোঁতেৰে জলপ্ৰৱাহ আৰম্ভ হয়। স্থানীয় ৰাইজ, আনকি নৈপৰীয়া লোকসকলেও তৰ্কিব পৰাৰ পূৰ্বেই এই জলপ্ৰৱাহে কালৰূপ ধাৰণ কৰি নিমিষতে সকলো তচনচ কৰি পেলালে। বিশেষকৈ চীন সীমান্তৱৰ্তী টিমুৰে আৰু ছাব্ৰুবেছী এলেকাৰ অৱস্থা অবৰ্ণনীয়। ৰসুৱাৰ সমান্তৰালভাৱে নুৱাকোট, খাদিং, ছিটৱান আৰু গোৰ্খা জিলাতো বানে সংহাৰী ৰূপ ধাৰণ কৰিছে। ইতিমধ্যে এইকেইখন জিলাত জনসাধাৰণক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশনা জাৰি কৰিছে নেপাল প্ৰশাসনে। বিশেষকৈ নৈপৰীয়া বাসিন্দাসকলক আঁতৰি যাবলৈ পৰামৰ্শ দিয়া হৈছে। ইফালে বানপীতি লোকসকলক উদ্ধাৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে নেপাল চৰকাৰে। প্ৰলয়ংকৰী বানৰ প্ৰেক্ষিতে প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে এক জৰুৰী বৈঠকৰ আয়োজন কৰি উদ্ধাৰ অভিযান সন্দৰ্ভত কেতবোৰ গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰে। সেই অনুসৰি অনুসন্ধান-উদ্ধাৰ অভিযানৰ বাবে আৰক্ষী, সেনাবাহিনী আৰু আৰ্মড পুলিচ ফ'ৰ্চক মোতায়েন কৰা হয়। ক্ষতিগ্ৰস্ত এলেকাসমূহলৈ প্ৰেৰণ কৰা হয় সেনাবাহিনীৰ দুখন হেলিকপ্টাৰ। কিন্তু পানীৰ তীব্ৰ সোঁতৰ বাবে হেলিকপ্টাৰ অৱতৰণত বাধাগ্ৰস্ত হয়। সেনাবাহিনীৰ মুখপাত্ৰ ৰাজাৰাম বাছনেটে এই সন্দৰ্ভত কয় যে ছাব্ৰুবেছী আৰু টিমুৰেত পানীৰ স্তৰ তথা সোঁত ইমানেই বেছি, তাত হেলিকপ্টাৰ অৱতৰণ সম্ভৱপৰ নহ'ল।

# নেপালৰ প্ৰলয়ংকৰী

বিনোদনৰ উদ্দেশ্যে। নেপাল পৰ্যটন ব'ৰ্ডে দিয়া তথ্য অনুসৰি উক্ত মুঠ ৩৮৪জন পৰ্যটকৰ বাতৰি লিখা পৰলৈকে সন্ধান পোৱা নাই। ইতিমধ্যে তেওঁলোকৰ সন্ধানত অভিযান আৰম্ভ কৰা হৈছে। স্থানীয় বাতৰি অনুসৰি ইয়াৰ অধিকাংশই বুধবাৰে দিনৰ ভাগত সীমান্ত অতিক্ৰমি কৈলাস মানস সৰোবৰ দৰ্শনৰ উদ্দেশ্যে ৰাওনা হোৱাৰ কথা আছিল। কিন্তু তীব্ৰ সোঁতেৰে ভোটে কোশী নৈয়ে কালৰূপ ধাৰণ কৰাৰ পিছৰে পৰা বিয়লি তিনি বজা পৰ্যন্ত দুই-এজনক বাদ দি কাৰো সৈতে যোগাযোগ কৰাটো সম্ভৱপৰ হৈ উঠা নাই। নেপালত নিখোজ হোৱা পৰ্যটকসকল বিভিন্ন ট্ৰুৰ অপাৰেটৰৰ জৰিয়তে বুদ্ধৰ দেশখনত গৈ উপস্থিত হৈছিল। নেপাল পৰ্যটন ব'ৰ্ডে এতিয়া এই ট্ৰুৰ অপাৰেটৰসকলৰ পৰা নিৰুদ্দিষ্ট পৰ্যটকৰ তথ্য সংগ্ৰহৰ বাবে বিষয়া-কৰ্মচাৰীসকলক নিৰ্দেশ দিছে। ইয়াৰ সমান্তৰালভাৱে সংস্থাটোৱে জৰুৰীকালীন টোল-ফ্ৰী আৰু হেল্পলাইন নম্বৰৰ ব্যৱস্থা কৰিছে। নেপাল পৰ্যটন ব'ৰ্ডৰ জৰুৰীকালীন টোল-ফ্ৰী আৰু হেল্পলাইন নম্বৰ দুটা হৈছে ক্ৰমে- ১২৩৪ আৰু ১১৪৪।

# মানসজ্যোতিৰ মৃত্যুৰ

অৱস্থাত পৰৱৰ্তী সময়ত তেওঁক ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হৈছিল যদিও চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে মানসজ্যোতি চেতিয়াই। বিগত সময়ছোৱাত এম জে বুলি সকলোৰে মাজত পৰিচিত হৈ পৰা মানসজ্যোতি চেতিয়াই ১৯ জুলাইৰ প্ৰলয়ংকৰী বানত সৰ্বস্বান্ত হোৱা লোকসকলক বিভিন্ন ধৰণে সহায় কৰি আহিছিল। এনেদৰে কামত ব্ৰতী হৈ থকা মানসজ্যোতি চেতিয়াৰ এই দুৰ্ঘটনাজনিত মৃত্যুক সহজভাৱে ল'ব পৰা নাই বীৰ লাচিত সেনাৰ লগতে ৰাইজে। এই ঘটনাক এক পৰিকল্পিত হত্যাকাণ্ড বুলি সন্দেহ কৰি বীৰ লাচিত সেনাই ইতিমধ্যে ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰি আহিছিল।

# কাছাৰৰ লক্ষীপুৰত ১৬৮

বিবৃতিত জনোৱা মতে, ২৫ আৰু ২৬ আগষ্টত আছাম ৰাইফলছ আৰু ডি আৰ আয়ে কাছাৰ জিলাৰ লক্ষীপুৰ সমষ্টিৰ জুঝাং পাহাৰত যৌথ অভিযান চলাইছিল। এই অভিযানত ৬০ কিলোগ্ৰামৰ প্ৰায় ৫.৬ লাখ যাবা টেবলেট উদ্ধাৰ কৰা হৈছে। উদ্ধাৰ হোৱা ঔষধসমূহৰ আনুমানিক বজাৰ মূল্য ১৬৮ কোটি টকা। এই অভিযানৰ সময়ত ড্ৰাগছ সৰবৰাহৰ লগত জড়িত থকাৰ সন্দেহত এজন লোকক গ্ৰেপ্তাৰ কৰা হয়। ড্ৰাগছ কঢ়িয়াই নিয়াৰ বাবে ব্যৱহাৰ কৰা এখন টাটা ট্ৰাকো জব্দ কৰা হৈছে। প্ৰাথমিক তদন্তত প্ৰকাশ পাইছে যে চুবুৰীয়া মণিপুৰৰ পৰা ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথেৰে অসম অভিমুখে যাবাখিনি কঢ়িয়াই অনা হৈছিল। তদন্তকাৰীয়ে প্ৰথমে সন্দেহ কৰিছিল যে কাছাৰ আৰু শ্ৰীভূমি জিলাক কৰিড'ৰ হিচাপে ব্যৱহাৰ কৰি দেশৰ অন্য প্ৰান্তলৈ ড্ৰাগছ সৰবৰাহ কৰাৰ পৰিকল্পনা কৰা হৈছিল। জব্দ কৰা সামগ্ৰীৰ লগতে আটকাধীন লোককেইজনক অধিক তদন্ত আৰু আইনী ব্যৱস্থাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক গতাই দিয়া হৈছে।

# ডিব্ৰুগড়ত ভাৰতীয় ৰেডক্ৰছ

সভাৰ আৰম্ভণিতে যোৱা বিধ্বস্ত বানত নিজৰ প্ৰাণ হেৰুওৱা দুৰ্ভগীয়া লোকসকলৰ প্ৰতি সন্মান জনাই সকলোৱে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। জিলাৰ উপাধ্যক্ষ তথা অতিৰিক্ত আয়ুক্ত প্ৰাঞ্জল বৰুৱাই সভাখন আনুষ্ঠানিকভাৱে পৰিচালনা কৰে। সভাত যোৱা বৰ্ষৰ ৬ষ্ঠ বাৰ্ষিক সাধাৰণ সভাৰ প্ৰতিবেদন পাঠ কৰে সহ-সম্পাদিকা ডাঃ গায়ত্ৰী দেৱী গোস্বামীয়ে। সভাত প্ৰতিবেদনখন সৰ্বসন্মতিক্ৰমে গৃহীত হয় । ইয়াৰ পাছত সম্পাদক অনুজ কুমাৰ বৰুৱাই বিগত বৰ্ষত ডিব্ৰুগড় জিলা ৰেডক্ৰছ চ'ছাইটিৰ উদ্যোগত সম্পন্ন হোৱা বিভিন্ন সেৱামূলক আৰু জনকল্যাণমূলক কাৰ্যসূচীৰ বিস্তৃত বিৱৰণ দাঙি ধৰে। লগতে আগন্তুক দিনত গ্ৰহণ কৰিবলৈ লোৱা বিভিন্ন কাৰ্যসূচী আৰু পৰিকল্পনাৰ বিষয়েও সভাক অৱগত কৰে। কোষাধ্যক্ষ ৰাজকুমাৰ আগৰৱালাই বিগত বৰ্ষৰ হিচাপ-নিকাচ নিৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰোৱাই সভাত দাখিল কৰে। সভাই হিচাপ-নিকাচ পৰ্যালোচনা কৰি অনুমোদন জনায়। ইয়াৰ পিছত উপ-সমিতিৰ বিত্ত বিভাগৰ চেয়াৰপাৰ্চন ডঃ ৰুনুমা শৰ্মাই আগন্তুক বৰ্ষৰ বাবে প্ৰস্তাৱিত বাজেট সভাত দাখিল কৰে। সভাৰ অন্যতম উল্লেখযোগ্য কাৰ্যসূচী হিচাপে চ'ছাইটিৰ ডিব্ৰুগড় জিলা শাখাৰ বিশেষ ই-মেগাজিন "সেৱক" "দ্বিতীয় বছৰৰ দ্বিতীয় প্ৰকাশ" উন্মোচন কৰে ৰেডক্ৰছ চ'ছাইটিৰ উপাধ্যক্ষ প্ৰাঞ্জল বৰুৱাই। তেওঁ সম্পাদনা সমিতিৰ সদস্যসকলক অভিনন্দন আৰু ধৃতিমান বৰুৱা ধন্যবাদ জ্ঞাপন কৰে। সভাত উপস্থিত কেইবাগৰাকীও বিশিষ্ট সদস্য ক্ৰমে ড° কন্দৰ্প কুমাৰ ডেকা, জ্যোতিপ্ৰসাদ কানৈ, ড° কৰবী ডেকা হাজৰিকা, ড° ভাৰতী দত্ত, তৰুণ কুমাৰ গগৈ আৰু ড° চুলতানা হাজৰিকাই বিভিন্ন দিশত তেওঁলোকৰ দিহা পৰামৰ্শআগবঢ়ায় । সভাপতিৰ মন্তব্যত উপাধ্যক্ষ প্ৰাঞ্জল বৰুৱাই ৰেডক্ৰছৰ সকলো কাৰ্য্যৱলীত সক্ৰিয় সহায়, সহযোগিতা আগবঢ়াব বুলি সভাত প্ৰতিশ্ৰুতি প্ৰদান কৰে। ড° ৰুনুমা শৰ্মাই শলাগৰ শৰাই আগবঢ়ায়।

# নতুন দিল্লীত সংবাদ মেল

লাখ প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহ নিৰ্মাণৰ অনুমোদন দিয়ে মন্ত্ৰীগৰাকীয়ে। চাহ শ্ৰমিকসকলক ভূমিপট্টা আৰু একোটাকৈ ঘৰ দিয়াৰ বাবে যি প্ৰতিশ্ৰুতি আছিল, সেই সন্দৰ্ভত মন্ত্ৰী শিৱৰাজ সিং চৌহানে চাহ বাগিচাৰ শ্ৰমিকসকলৰ বাবে দুই লাখ অতিৰিক্ত গৃহ আবণ্টনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। এইক্ষেত্ৰত বানত ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপনৰ যি পুঁজি সেয়া গৃহ মন্ত্ৰালয়ে আবণ্টন দিব। এই পুঁজি গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰিৰ সৈতে হোৱা আলোচনাত বানত বিধ্বস্ত পথৰ মেৰামতি আৰু যিসমূহ ৰাষ্ট্ৰীয় ঘাইপথ মথাউৰিৰ দৰে হৈ আছিল, সেই ঠাইপথসমূহত কালভাৰ্টৰ প্ৰয়োজনীয়তাৰ কথাও তেওঁক উল্লেখ কৰা হৈছে। আনহাতে, প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা সাক্ষাতৰ সময়ত বান পৰিস্থিতিৰ কথা উল্লেখ কৰাৰ লগতে অহা নৱেম্বৰ মাহত নতুন দিল্লীত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মজয়ন্তীত যি সামৰণী অনুষ্ঠান অনুষ্ঠিত কৰাৰ পৰিকল্পনা আছে, তাৰ বাবেও প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনোৱা হৈছে। তদুপৰি ডিচেম্বৰ-জানুৱাৰী মাহত ছেমিকণ্ডাক্টৰ প্ৰকল্পত উৎপাদন আৰম্ভ হ'ব, এই উৎপাদনৰ আনুষ্ঠানিক শুভাৰম্ভ কৰাৰ বাবেও প্ৰধানমন্ত্ৰীগৰাকীক নিমন্ত্ৰণ জনোৱা হৈছে। কাজিৰঙা ইক' ছেনছিটিভ জ'ন প্ৰসংগত শেহতীয়াকৈ সৃষ্টি হোৱা বিতৰ্ক সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মেলত কয়- কাজিৰঙাত এতিয়া ইক' ছেনছিটিভ জ'ন নাই আৰু কিছু লোকে এই বিষয়টো নজনাকৈয়ে পৰিৱেশ বিনষ্ট কৰিছে। ইক' ছেনছিটিভ জ'ন স্থাপনৰ বাবে কেন্দ্ৰই আমাক অনুৰোধ কৰিছে। সাধাৰণতে মানুহে কাজিৰঙা বুলি ক'লে কঁহৰাক বুজে। কিন্তু কাজিৰঙা মানে বিশ্বনাথ, গহপুৰ, কলিয়াবৰ, বোকাখাত, কাৰ্বি আংলংক সামৰি আছে। প্ৰতিখন ঠাইৰ পৰা ইক' ছেনছিটিভ জ'নৰ পৰিসীমা বেলেগ বেলেগ হ'ব। য'ত হাতী যায় তাত ইক' ছেনছিটিভ জ'নৰ পৰিসীমা ২০ কিলোমিটাৰ হ'ব পাৰে। য'ত ব্ৰহ্মপুত্ৰ লাগি আছে তাত অতিৰিক্ত ইক' ছেনছিটিভ জ'নৰ প্ৰয়োজন নাই। বিশেষজ্ঞ কমিটিয়েহে ইক' ছেনছিটিভ জ'ন প্ৰস্তুত কৰিব। তাৰ পিছত নেচনেল ৱাইল্ড লাইফ ব'ৰ্ডত আলোচনা হ'ব। কংগ্ৰেছে শেহতীয়াকৈ বিষয়টোক লৈ অব্যাহত থকা প্ৰতিবাদক কটাক্ষ কৰি মুখ্যমন্ত্ৰীড° শৰ্মাই কয়-কাজিৰঙা কংগ্ৰেছে শেষ কৰি পেলালে। গৌৰৱ গগৈৰ পিতৃ আৰু ৫ বছৰ মুখ্যমন্ত্ৰী হৈ থকা হ'লে কাজিৰঙাত গঁড় এটাও নাথাকিলহেঁতেন। ইফালে, মেঘালয়-অসমৰ শেহতীয়া সংঘাত তথা পৰ্যটকক লৈ হোৱা বিতৰ্কৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়- মেঘালয়ত একাংশ লোক আছে, যিসকলে অসমৰ পৰা যোৱা পৰ্যটকসকলক ভাল নাপায়। পেট্ৰিছিয়া মুখিমৰ দৰে বুদ্ধিজীৱী অসমত পৰ্যটকৰ বিৰুদ্ধে লিখা-মেলা কৰে। শ্বিলং এসময়ত অসমৰে ৰাজধানী আছিল। সেয়ে অসমৰ লোকে শ্বিলঙলৈ যাবলৈ ভাল পায়। কিন্তু শেহতীয়া পৰিস্থিতিৰ পিছত বিষয়টোক অন্য ধৰণে চিন্তা-চৰ্চাৰ প্ৰয়োজন আছে। অসমৰ হাফলং, উমৰাংছ', কাৰ্বি আংলং আদি ঠাইসমূহ উন্নয়ন কৰিব লাগিব। উমৰাংছ' আৰু মাজুলীৰ প্ৰস্তাৱিত বিমানবন্দৰ আমাৰ কাৰ্যকালতে সম্পন্ন কৰা হ'ব। অচিৰেই উমৰাংছ'ৰে পৰ্যটনৰ দিশত শ্বিলঙৰ সৈতে প্ৰতিযোগিতা কৰিব পাৰিব। অসমৰ পৰ্যটন ক্ষেত্ৰক আগুৱাই নিবলৈ আমি কিছু পদক্ষেপ ল'ম। কাজিৰঙাৰ সংৰক্ষণক লৈ কংগ্ৰেছকো তীব্ৰ আক্ৰমণ কৰে মুখ্যমন্ত্ৰীয়ে। শেহতীয়াকৈ শিৱসাগৰত বীৰ লাচিত সেনাৰ নেতা মানসজ্যোতি চেতিয়াৰ মৃত্যুৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে আৰক্ষীয়ে ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে। গুৱাহাটীৰ পৰা ফৰেনছিক দলৰ লগতে এগৰাকী IGP ঘটনাস্থলীলৈ গৈছে। তদন্ত চলি থকাৰ সময়ত বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰী হিচাপে মই প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। কিন্তু ইয়াৰ এক উচিত তদন্তৰ নিৰ্দেশ দিয়া হৈছে। যদি হত্যা হৈছে তেন্তে স্বাভাৱিকভাৱে একচন হ'ব।

# গোলকীয় উষ্ণতা, জলবায়ু

তাপমাত্ৰা পৃথিবীৰ গড় উচ্চতাৰ তুলনাত ক্ৰমশঃ বাঢ়ি গৈ আছে। সাধাৰণভাৱে ক'বলৈ গ'লে এয়াই গোলকীয় উষ্ণতা। যিটো সম্পূৰ্ণৰূপে মানৱসৃষ্ট। একবিংশ শতিকাৰ আধুনিক প্ৰযুক্তিবিদ্যাৰ যুগত মানৱ সভ্যতা দুৰন্ত গতিত বিকশিত হৈছে। বায়ুমণ্ডললৈ কাৰ্বনসহ গ্ৰীনহাউছ গেছ নিৰ্গমন বৃদ্ধি পোৱাৰ বিপৰীতে অবাধ গতিত ধ্বংস হৈছে সেউজ বনাঞ্চল। যাৰ কাৰণে ক্ৰমান্বয়ে পৃথিৱীৰ উষ্ণতা বাঢ়ি গৈ আছে। বিগত প্ৰায় অৰ্ধশতাব্দীতকৈও অধিক সময় গোলকীয় উষ্ণতাৰ মোকাবিলা কৰিবলৈ সমগ্ৰ বিশ্বতে অনুষ্ঠিত হৈছে বিভিন্ন সম্মিলন। কিন্তু সেই আলাপ-আলোচনা তথা সিদ্ধান্তসমূহ বাস্তৱত কাৰ্যকৰী নহ'ল, আবদ্ধ হৈ থাকিল কাগজতে। নেপাল-তিব্বত সীমান্ত হিমালয়ৰ যি দৈত্যকায় হিমবাহ ভাগি লেহেঙেও খোলা নদীত আঁচোৰ খাই পৰিছিল, সেয়া গোলকীয় উষ্ণতাৰ কাৰণেই গলিবলৈ ধৰে। পৰিণতিত সৃষ্টি হয় বিশাল জলৰাশি। হিমবাহৰ সৈতে পাহাৰৰ বিশাল বিশাল শিলসহ ধ্বংসাৱশেষে বোৰঁতী নৈখনৰ জলস্তৰক আবদ্ধ কৰি এটা অস্থায়ী প্ৰাকৃতিক হ্ৰদৰ ৰূপ দিয়ে। এই হ্ৰদটোৰ বান্ধ ভাগি হিমবাহৰ গলিত জলৰশি, বোকা মাটি আৰু ধ্বংসাবশেষ লেহেঙেও খোলা হৈ ভোটে কোশী নদীলৈ বৈ আহি মহাপ্ৰলয়ৰ সৃষ্টি কৰে। গোলকীয় উষ্ণতাৰ দৰেই পাহাৰীয়া নদীৰ দুয়োপাৰে নিৰ্মিত অট্টালিকা, দলং, পথ, জলবিদ্যুৎ প্ৰকল্প আদি সম্পূৰ্ণৰূপে মানুহৰ অৱদান। ভোটে কোশী আৰু ত্ৰিশূলী নৈয়ে দুয়োপাৰৰ সভ্যতাক বুধবাৰে পুৰা নিশ্চিহ্ন কৰি পেলালে। শেহতীয়া উপগ্ৰহৰ চিত্ৰ অনুসৰি এই ট্ৰেজেডীৰ উৎপত্তি নেপালৰ সীমাৰ বাহিৰত। নেপাল-তিব্বত সীমান্তৰ ওচৰৰ হিমালয়ৰ ওপৰৰ অংশত ওখ ঠাইত এটা হিমবাহৰ এটা বিশাল অংশ ভাঙি ৫,২০০ মিটাৰ আৰম্ভণিৰ উচ্চতাৰ পৰা ১২০০ মিটাৰ তলৰ উপত্যকাত ডুব গৈছিল। ইয়াৰ ফলত বৰফ পানী-বোকা মাটি আৰু শিলৰ তীব্ৰ ঘাতক সোঁত প্ৰতিছেকেণ্ডত ৫০ মিটাৰ (১৬৫ ফুট) অতিক্ৰমি বৈ আহে। এইদৰে প্ৰায় ২০ কিলোমিটাৰ এলেকা কাৰ্যতঃ চকুৰ নিমিষতে বিধ্বস্ত কৰি তোলে। লেহেঙেও খোলাৰ পৰা ভোটে কোশী-ত্ৰিশূলী নৈৰ ১০০ কিলোমিটাৰ এলেকাৰ জনবসতি, বজাৰ, পথ, দলং, আন্তঃগাঁথনি, জলবিদ্যুৎ প্ৰকল্প আদি পৰিণত হয় ধ্বংসস্তূপত।

# আমিনগাঁৱত সাঁতোৰৰ ৰাষ্ট্ৰীয়

আমিনগাঁৱত নিৰ্মাণ হৈ থকা ক্ৰিকেট স্টেডিয়ামখন ২০২৭ চনত মুকলি কৰা হ'ব। অসম চৰকাৰে প্ৰায় ৩০০ কোটি টকা ব্যয় কৰি ষ্টেডিয়ামখন নিৰ্মাণ কৰিছে। আমিনগাঁৱৰ এই তিনিওটা ক্ৰীড়া কেন্দ্ৰলৈ অহা খেলুৱৈ আৰু দৰ্শকৰ সুবিধাৰ্থে সন্মুখৰ পথটো বহল কৰা হৈছে আৰু দুহাজাৰ গাড়ী ৰাখিব পৰা এটা বহুমহলীয়া গাড়ী পাৰ্কিংও ইয়াত নিৰ্মাণ কৰা হ'ব। ক্ৰিকেট, বেডমিন্টন আৰু সাঁতোৰ প্ৰশিক্ষণৰ বাবে অহা খেলুৱৈ আৰু প্ৰশিক্ষকৰ বাবে হোষ্টেলো নিৰ্মাণ কৰি থকা হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পক সুন্দৰকৈ সজাই তোলাৰ বাবে চৰকাৰে সিদ্ধান্ত লোৱা বুলি সদৰী কৰি মুখ্যমন্ত্ৰী ড' শৰ্মাই লগতে কয় যে ২০০৫-০৬ চনতে নিৰ্মাণ কৰা ষ্টেডিয়ামখন সময় আৰু সুবিধাৰ দিশত পিছপৰি ৰোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াক সুন্দৰকৈ সজাই তোলাৰ বাবে এই বছৰতে আঁচনি গ্ৰহণ কৰা হ'ব। তেওঁ কয় যে পুৰণা নেহৰু ষ্টেডিয়াম বা ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পত ফিফা মানৰ এখন ফুটবল ষ্টেডিয়াম নিৰ্মাণ কৰি থকা হৈছে। এই সকলো কাম সম্পূৰ্ণ হোৱাৰ পিছত আটাইতকৈ বেছি ক্ৰীড়া সুবিধা থকা দেশৰ মহানগৰৰ তালিকাত গুৱাহাটীও অন্তৰ্ভুক্ত হ'ব। সমান্তৰালভাৱে ডিব্ৰুগড়তো আন্তঃৰাষ্ট্ৰীয় মানৰ ক্ৰীড়া সুবিধা গঢ়ি তোলাৰ কাম কৰি থকা হৈছে বুলি সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অনাগত দিনতো অসমৰ উদীয়মান খেলুৱৈসকলক উন্নত মানৰ ক্ৰীড়া সুবিধা প্ৰদান কৰাৰ বাবে চৰকাৰে কাম কৰি যাব। অনুষ্ঠানত ক্ৰীড়ামন্ত্ৰী বিশ্বজিৎ দৈমাৰী, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক প্ৰকাশ দাস, দিগন্ত কলিতা, ছাইৰ উপ-সঞ্চালকপ্ৰধান মঞ্জুশ্ৰী দয়ানন্দৰ লগতে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ কেইবাগৰাকী বিষয়া আৰু বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# বিটিচিৰ উপাধ্যক্ষ বিজিত

একেৰাহে তিনিবাৰ বিপিএফৰ প্ৰাৰ্থী হিচাপে বিপুল ভোটত জয়ী হৈছিল আৰু শেহতীয়া ২০২৫ চনৰ বিটিচি পৰিষদীয় নিৰ্বাচনত বিজেপি দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰি চতুৰ্থবাৰৰ বাবে এমচিএলএ নিৰ্বাচিত হৈ বিটিচিৰ উপাধ্যক্ষৰ গুৰুদায়িত্ব লাভ কৰিছিল। স্থানীয় সূত্ৰৰ পৰা জানিব পৰা মতে, বিশিষ্ট ৰাজনীতিবিদগৰাকী বিগত কিছুদিন ধৰি গুৰুতৰ শাৰীৰিক অসুস্থতাত ভুগি থকাৰ লগতে তীব্ৰ মানসিক চাপৰ মাজেৰেও দিন অতিবাহিত কৰিছিল যদিও এই অনাকাংক্ষিত চৰম সিদ্ধান্তৰ প্ৰকৃত কাৰণ সম্পৰ্কে পৰিয়াল বা আৰক্ষী প্ৰশাসনে এতিয়ালৈকে কোনো আনুষ্ঠানিক স্পষ্টীকৰণ দিয়া নাই। আৰক্ষীৰ তদন্ত আৰু মৰণোত্তৰ পৰীক্ষাৰ পাছতহে অধিক তথ্য পোহৰলৈ আহিব। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে তামুলপুৰ আৰক্ষীৰ এটি উচ্চপদস্থ দল ঘটনাস্থলীত উপস্থিত হৈ কোঠাটোলৈ কোনো বহিৰাগত লোকৰ প্ৰৱেশ নিষিদ্ধ কৰি মৃতদেহ উদ্ধাৰ কৰাৰ লগতে পুংখানুপুংখ বিভাগীয় তদন্ত আৰম্ভকৰে। ইফালে প্ৰিয় নেতাগৰাকীৰ এনে অনাকাংক্ষিত মৃত্যুৰ বাৰ্তা বিয়পি পৰাৰ লগে লগে কুমাৰীকাটাস্থিত বাসগৃহত অঞ্চলটোৰ অসংখ্য গুণমুগ্ধ, শুভাকাংক্ষী আৰু দল-সংগঠনৰ নেতা-কৰ্মীৰ সমাগম ঘটে আৰু সমগ্ৰ অঞ্চলটোতে এক গভীৰ শোকাকুল পৰিৱেশৰ সৃষ্টি হয়, মৃত্যুৰ সময়ত প্ৰয়াত নাৰ্জাৰীয়ে পত্নী, এগৰাকী কন্যা সন্তানৰ লগতে ভাই-ভনী, আত্মীয়-স্বজন আৰু অগণন গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। আনহাতে বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে নাৰ্জাৰীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ মৃত্যুক সমাজ আৰু জনজীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰে । তেওঁ কয়, বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ মাননীয় উপ-সভাপতি ২৬ নং দৰঙাজুলিৰ পৰা নিৰ্বাচিত হৈ অহা বিজিৎ গৌৰা নাৰ্জাৰীৰ অকাল মৃত্যুত মই গভীৰভাৱে দুখী হৈছো । তেওঁৰ আকস্মিক মৃত্যু আমাৰ সমাজ আৰু জনজীৱনৰ বাবে এক অপূৰণীয় ক্ষতি। এই কঠিন সময়ত তেওঁৰ শোকসন্তপ্ত পৰিয়াল, বন্ধু-বান্ধৱী আৰু সহকৰ্মীসকললৈ মোৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছো। বিদেহী আত্মাই চিৰশান্তি লাভ কৰক আৰু সৰ্বশক্তিমানে তেওঁৰ পৰিয়ালক এই গভীৰ ক্ষতি সহ্য কৰিবলৈ শক্তি দিয়ক ।

# উচ্চ ন্যায়ালয়ত

গোচৰটোৰ অংশ হিচাপে ৫৫টা কৰ্মদিনত আদালতত ১১১ গৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰা হৈছে। আৰু শুকুৰবাৰে ১১২নংগৰাকী সাক্ষীৰূপে বিশিষ্ট চিকিৎসক ডাঃ হিতেশ বৰুৱাৰ সাক্ষ্য আংশিকভাৱে লোৱাৰ পিছতে এই কথা সদৰী কৰিছে চৰকাৰী লোক অধিবক্তা জীয়াউল কামাৰে। তেওঁ কয় যে আমাৰ বাবে খুব সৌভাগ্যৰ কথা যে বিগত ৫৫টা কৰ্মদিনত ৰৰৰগৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণেৰে গোচৰটো যথেষ্টখিনি আগুৱাই নিবলৈ সক্ষম হৈছোঁ। ডাঃ হিতেশ বৰুৱাই শিল্পীগৰাকীৰ স্বাস্থ্য সন্দৰ্ভত যথেষ্টখিনি তথ্য আদালতত দাখিল কৰিছে। ইপিনে বিশিষ্ট চিকিৎসক ডাঃ হিতেশ বৰুৱাই ফাষ্টট্ৰেক আদালতত সাক্ষ্য প্ৰদান কৰি কয় যে তাৎক্ষণিক চিকিৎসা পালে জুবিনক আমি জীয়াই ৰাখিব পাৰিলোঁহেঁতেন। জুবিন গাৰ্গৰ চিকিৎসাৰ সময়ত মই জুই আৰু পানীৰ পৰা আঁতৰত ৰাখিবলৈ সকীয়াই দিছিলোঁ। ডাইভিং কৰিবলৈ মানা কৰিছিলোঁ। ইমানখিনি জনাৰ পিছতো সেই মানুহজনক পানীৰ মাজলৈ কিয় নিয়া হ'ল? একেলগে জুবিনৰ সৈতে থকা মানুহকেইজনে এই কথাবোৰ জানে। তেওঁক জানি-বুজিও পানীৰ মাজলৈ যাবলৈ দিব নালাগিছিল। তদুপৰি ছিংগাপুৰলৈ যোৱাৰ সময়ত জুবিন গাৰ্গৰ স্বাস্থ্যৰ সুৰক্ষাৰ বাবে চিকিৎসকৰ দল লগত নিয়া হোৱা নাছিল। তেওঁলোকে চিকিৎসকৰ দল নিনিলেও অন্ততঃ তেওঁ সুস্থ আছেনে নাই, সেয়া যোৱাৰ পূৰ্বে মেডিকেল টেষ্ট কিয় নকৰিলে? এই প্ৰশ্নবোৰ মই আজি আদালতত অৱগত কৰিছোঁ।

# ডিব্ৰুগড়ত ৰাখী বন্ধনৰ

কৈশোৰৰ বন্ধু (বৰ্তমান প্ৰয়াত) মাতৃ তথা চাবুৱাৰ এগৰাকী বিশিষ্ট প্ৰয়াত চিকিৎসকৰ পত্নীয়ে কয় যে, পুত্ৰৰ মৃত্যুৰ পাছত ঘৰত অকলে থাকিবলগীয়া হোৱাত আৰু ঘৰ-দুৱাৰো জৰাজীৰ্ণ হৈ পৰাত তেওঁ বৃদ্ধাশ্ৰমলৈ আহে। মন্ত্ৰীগৰাকীসহ অহা লোকসকলে তেওঁৰ সৈতে কথা পতা আৰু মৰম-স্নেহ দেখুওৱাত তেওঁ আনন্দিত হোৱা বুলি প্ৰকাশ কৰে। উল্লেখযোগ্য যে, মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি আইগৰাকীৰ পুৰণি স্মৃতি সোঁৱৰণ কৰি আবেগিক হৈ পৰে। নিজৰ প্ৰয়াত পুত্ৰৰ হাইস্কুল আৰু কলেজীয়া দিনত এগৰাকী অন্যতম বন্ধু আছিল সৰ্বানন্দ সোণোৱাল। এসময়ত আৰ্থিকভাৱে স্বচ্ছল নথকা আৰু তেওঁৰ পুত্ৰৰ সৈতে ব্যৱসায় কৰা সৰ্বানন্দ আজি প্ৰতিষ্ঠিত হৈও তেওঁক পাহৰা নাই। খবৰ ল'বলৈ অহা আৰু মৰম-স্নেহ আগবঢ়োৱাৰ বাবে মনৰ পৰা আশীৰ্বাদ দিয়ে আইগৰাকীয়ে। ৰাখী বন্ধনৰ দিনটোত আগবঢ়োৱা বিচনা-পত্ৰ, লেপ-তুলী, কাপোৰ-কানি আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ সহায়ে আশ্ৰমৰ মাতৃসকলৰ মাজত আনন্দৰ সৃষ্টি কৰে। মৰম, সন্মান আৰু আপোনত্বৰ এই পদক্ষেপে ৰাখী বন্ধনৰ মানৱীয় বাৰ্তাক অধিক অৰ্থৱহ কৰি তোলে। মন্ত্ৰী গৰাকীৰ সৈতে ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা আৰু অসম পেট্ৰ' কেমিকেলৰ বিকুল ডেকা উপস্থিত থাকে।

# অত্যাৱশ্যকীয় সামগ্ৰীৰ

নোৱাৰা ধৰণে বাঢ়িছে। এইক্ষেত্ৰত যোগান বিভাগৰ অকৰ্মণ্যতাক একমুখে গৰিহণা দি তেওঁ কয় যে যোগান নামৰ বিভাগ এটাৰ অস্তিত্ব যে আছে সেয়া ৰাইজো বাদেই ব্যৱসায়ীসকলেও গম নাপায়। ব্ৰইলাৰ মাংস কিনিবলৈ গ'লেও তিনিখন বজাৰত পৃথক দাম পাব। ইয়াৰ অৰ্থ এয়ে যে কোনো নিয়ন্ত্ৰণ নাই। যাৰ যি মন যায় সেইধৰণে দাম সংগ্ৰহ কৰি আছে। যোগান নামৰ বিভাগ এটা কাগজে-পত্ৰই থাকিব পাৰে! কিন্তু তাৰ অস্তিত্ব বাস্তৱ ক্ষেত্ৰত নাই, বজাৰৰ মাজত নাই। সেয়ে জনসাধাৰণৰ বাজেটত তাৰ প্ৰভাৱ পৰা নাই। চৰকাৰে সামগ্ৰীৰ দাম নিয়ন্ত্ৰণ কৰিবই লাগিব। আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে কয় যে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম নিয়ন্ত্ৰণত চৰকাৰ ব্যৰ্থ হৈছে। গতিকে এই পৰিস্থিতিত আন্দোলনৰ বাহিৰে আছুৰ আন বিকল্প নাই। চৰকাৰে এইক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰি দাম হ্ৰাসৰ কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিবই লাগিব। জনসাধাৰণক অতিৰিক্ত আৰ্থিক বোজাৰ পৰা সকাহ দিবই লাগিব। চৰকাৰে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ নকৰিলে আছুৱে পৰৱৰ্তী সময়ত অধিক কঠোৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও সন্থাই সকীয়াই দিছে।

# কংগ্ৰেছ দলৰ বাবেই

ল'ৰা-ছোৱালীৰ কল্যাণৰ বাবে পিতৃ-মাতৃয়ে কাম কৰাটোৱে আমাৰ মূল ধৰ্ম। কিন্তু আমাৰ ল'ৰা-ছোৱালীক কোনোবাই জেন জি-জেন আলফা এইবোৰ ধাৰণা আগবঢ়াই পৰিৱেশ বিনষ্ট কৰিছে। আমি পৰিয়ালৰ দৰে একেলগে থকাটো বিচাৰোঁ। ল'ৰা-ছোৱালীৰ কল্যাণৰ বাবে আমি কাম কৰি দেশক আগুৱাই নিব লাগে। দেশত নিশ্চিতভাৱে সমস্যা আছে। কিন্তু এই সমস্যাৰ আমি মুখামুখি হ'ব লাগিব। দেশখনক আগুৱাই নিয়া, দেশখনক শক্তিশালী কৰাৰ ক্ষেত্ৰত যুৱ সম্প্ৰদায়, অভিভাৱক সকলোৱে সমানেই কাম কৰিব লাগিব।

## ENGLISH NEWS SECTION

# Governor Interacts with Director of National Dairy Research Institute (NDRI)




Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya interacted with Director of the National Dairy Research Institute (NDRI), Dr. Dheer Singh, in New Delhi, with a focus on strengthening Assam's dairy sector through grass root milk cooperativization, modern technology, institutional collaboration, high end skill development, greater milk producer-oriented support and scientific interventions. The interaction was aimed at expediting an action plan in alignment with the vision of Prime Minister Shri Narendra Modi to strengthen the rural economy and enhance the income and livelihoods of farmers and milk producers. In keeping with this vision, Lok Bhavan has been undertaking sustained efforts towards making the dairy sector of Assam more organised, technology-driven, productive and farmer-centric. During the interaction, the Governor emphasised the need to develop a robust dairy sector value chain in Assam encompassing production, processing, technology, skill development, market linkages and capacity building. He highlighted the importance of bringing modern dairy technologies and scientific knowledge closer to farmers and strengthening the institutional ecosystem supporting the sector. The Governor sought the support and expertise of NDRI in undertaking a comprehensive assessment of the dairy sector in Assam and identifying areas for improvement. He requested NDRI to depute subject experts in different aspects of the dairy value chain to study the existing systems and provide technical recommendations for their further strengthening. It was also proposed that subject experts from NDRI visit Assam, particularly the Assam Veterinary and Fishery University, to study the institutional arrangements relating to the dairy sector and suggest a clear roadmap for future development. The Governor further highlighted the need to create focused skill-development programmes in the dairy sector in partnership with the Assam Skill Development Mission, with the objective of taking modern dairy technology, knowledge and practices to villages and equipping rural youth with employable skills and entrepreneurial opportunities.

## India lose to Belgium in penalty shootout



RB News: India ended their FIH Hockey World Cup 2026 campaign with an eighth-place finish after losing 3-4 to hosts Belgium in a shootout in the seventh-eighth place classification match at the Belfius Hockey Arena here on Friday. The match ended 3-3 in regulation time after Harmanpreet Singh converted a penalty corner with just 26 seconds remaining to force the shootout. In the shoot-out, Shilanand Lakra, Dilpreet Singh and Abhishek converted their attempts but that was not enough as Belgium prevailed 4-3. Tom Boon, Arthur de Sloover, Alexander Hendrickx and Roman Duvekot scored for Belgium, while Victor Fourbert missed the target.

## Pathirage becomes fourth javelin thrower to cross 92m mark twice




RB News: Sri Lanka's 23-year-old javelin thrower Rumesh Pathirage recorded 92.07m at the Zurich Diamond League meet to win yet another meet while recording the second-best throw in the world this season. In his fifth Diamond League, Pathirage was leading the Javelin throw competition with a best throw of 89.90m before he hurled the spear to a massive 92.07m in the last attempt. With this throw, he became only the fifth Javelin thrower in history to cross the 92m mark twice. World record holder Jan Zelenzy, 2017 world champion Johannes Vetter of Germany, Raymond Hecth of Germany and 1999 World Champion Aki Parviainen of Finland are the only other four throwers to cross the 92m mark twice.

## Neeraj Chopra ruled out of Asian Games



RB News: Neeraj Chopra has been ruled out of the remainder of the 2026 season after suffering a ligament tear in his ankle during training. The injury rules the two-time Olympic medallist out of the Asian Games and Diamond League Final. "After a period of hard work, I finally felt I was gaining the momentum I had been looking for with a Season's Best throw in Lausanne," Chopra said in a statement. "Unfortunately, shortly after, I sustained a ligament tear in my ankle during training. After discussions with my doctor and team, we've decided that I will sit out the rest of this season. "It's disappointing, especially because I felt close to finding my rhythm. But as they say, setbacks are a part of the journey. "My focus now is on recovering well and coming back even stronger."

## India record their best Women's Hockey World Cup finish in 52 years



RB News: The Indian women's hockey team delivered a memorable performance at the FIH Women's World Cup, defeating world No. 5 Germany 3–1 in the fifth-place classification match at Wagener Stadium in Amstelveen, Netherlands. The victory helped India finish fifth in the tournament, their best result at the Women's World Cup in 52 years. India's only better finish came at the inaugural edition in 1974, when the team finished fourth. Hockey India on Friday announced a cash award of Rs 50 lakh for the Indian women's team in recognition of their historic fifth-place finish at the FIH Hockey World Cup. Hockey India President Dilip Tirkey praised the team's resilience throughout the tournament and said the cash award was a recognition of their achievement.



# আধ্যাত্মিকতাৰ দাপোণত ভাদ মাহঃ এক অৱলোকন

**যোৰাখণ্ডৰ পৰা...**

ধৰ্মীয় অনুষ্ঠানবোৰ কোনো বিচ্ছিন্ন ঘটনা নহয়; এইবোৰ আমাৰ সামাজিক জীৱনৰ অংগ। ভাদ মাহৰ পৱিত্ৰতা কেৱল নামঘৰৰ চাকি-বন্তিৰ মাজতে আৱদ্ধ হৈ নাথাকে, ই প্ৰতিজন অসমীয়াৰ চিন্তা-চেতনা আৰু দৈনন্দিন জীৱনশৈলীত প্ৰভাৱ পেলায়। গুৰু দুজনাৰ তিৰোভাৱ তিথিৰ অৰ্থপূৰ্ণ উদযাপনৰ জৰিয়তে আমাৰ সমাজত ভক্তি ধৰ্মৰ যি জোৱাৰ উঠে, সি মানুহৰ মনত থকা অহংবোধ আৰু বিদ্বেষক অতিক্ৰম কৰাত সহায় কৰে। সত্ৰীয়া সংস্কৃতি আৰু নাম-প্ৰসংগৰ মাজেৰে প্ৰকাশ পোৱা ভক্তিৰস প্ৰকৃতাৰ্থত মানৱতাবাদৰ এক সৰ্বোত্তম প্ৰকাশ। মহাপুৰুষ শংকৰদেৱৰ 'একশৰণ নাম ধৰ্ম'ই আমাক শিকাইছে যে ভক্তিৰ পথত জাতি-ভেদ, বৰ্ণ-ভেদ বা কোনো ধৰণৰ সামাজিক বিভাজনৰ স্থান নাই। যেতিয়া নামঘৰত ভকত-বৈষ্ণৱসকলে একত্ৰিত হৈ নাম গায়, তেতিয়া সেই স্থানত কেৱল ভগৱানৰ মহিমাৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধাহে মূৰ্ত হৈ উঠে।

সামাজিক পৰিপ্ৰেক্ষিতত ভাদ মাহৰ আধ্যাত্মিকতা এক শৃঙ্খলাবদ্ধ জীৱনৰ সোপান। মানুহে যেতিয়া ধৰ্মীয় কাৰ্যসূচীবোৰত অংশ লয়, তেতিয়া তেওঁলোকৰ মাজত এক সামূহিক অনুশাসনৰ সৃষ্টি হয়। ভাদ মাহৰ প্ৰতিটো দিনেই যেন একোটা শিক্ষাৰ অধ্যায়। বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত এই আধ্যাত্মিক চেতনা জাগ্ৰত কৰাটো আজিৰ সময়ত অত্যন্ত প্ৰয়োজনীয়। সমাজত চলি থকা নানা ধৰণৰ অশুভ মানসিকতা, যেনে- ঈৰ্ষা, ঘৃণা আৰু বিচ্ছিন্নতাবাদী চিন্তাক প্ৰশমিত কৰিবলৈ ভাদ মাহৰ এই ভক্তিপূৰ্ণ পৰিৱেশ এক ঔষধস্বৰূপ। ধৰ্মীয় আলোচনাৰ মাজেৰে যেতিয়া সমাজৰ জ্যেষ্ঠসকলে নৱপ্ৰজন্মক নীতি-শিক্ষা প্ৰদান কৰে, তেতিয়া তাৰ প্ৰভাৱ সমাজৰ ওপৰত সুদূৰপ্ৰসাৰী হয়। আমি মানিবই লাগিব যে আমাৰ পূৰ্বপুৰুষসকলে সৃষ্টি কৰা প্ৰতিটো নিয়মৰ আঁৰত আছিল এক সু-চিন্তিত সামাজিক দৰ্শন। 'ভাদ মাহত অশুভ কৰ্ম নকৰা' বা 'গাখীৰৰ ব্যৱহাৰত সাৱধানতা অৱলম্বন কৰা' আদি নিৰ্দেশনাসমূহ আচলতে প্ৰকৃতিৰ লগত সমাজৰ এক ছন্দবদ্ধ সম্পৰ্কৰ প্ৰতীক। এই সময়ত প্ৰকৃতিৰ পৰিৱৰ্তনৰ সৈতে স্বাস্থ্যজনিত কাৰণতো মানুহে ধৰ্মীয় অনুশাসনক ঢাল হিচাপে ব্যৱহাৰ কৰিছিল।

নামঘৰ কেন্দ্ৰিক সামাজিক ব্যৱস্থাত আইসকলৰ অৱদানক কোনো দিশৰ পৰাই খৰ্ব কৰিব নোৱাৰি। এগৰাকী মাতৃয়ে যেতিয়া নামঘৰৰ মজিয়াত হৰিনাম গায়, তেতিয়া সেই ধ্বনিয়ে ঘৰৰ সন্তানৰ ওপৰতো আধ্যাত্মিক প্ৰভাৱ পেলায়। পৰিয়ালৰ প্ৰতিজন সদস্যই যেতিয়া ধৰ্মীয় আচৰণৰ মাজেৰে জীৱন যাপন কৰে, তেতিয়া সমাজত শান্তি আৰু শৃংখলা বিৰাজ কৰে। ভাদ মাহৰ এই পৱিত্ৰ সময়ত সমাজৰ দুখীয়া বা অসহায় লোকসকলক সহায় কৰাৰ যি প্ৰৱণতা দেখা যায়, সেয়া আমাৰ আধ্যাত্মিকতাৰেই এক অংশ। দান-দক্ষিণা বা শৰাই দিয়াৰ প্ৰক্ৰিয়াটোৱে সমাজৰ মাজত থকা মৰম আৰু সহমৰ্মিতাৰ ভাৱ অধিক স্পষ্ট হৈ উঠে।

সাম্প্ৰতিক সময়ত সমাজত চলি থকা যান্ত্ৰিকতাৰ মাজতো ভাদ মাহে মানুহক নিজৰ স্বকীয়তা আৰু সাংস্কৃতিক পৰিচয়ৰ কথা সোঁৱৰাই দিয়ে। গ্ৰাম্য জীৱনৰ পৰা আৰম্ভ কৰি নগৰীয়া পৰিৱেশলৈকে, ভাদ মাহৰ আধ্যাত্মিকতা এক উমৈহতীয়া ধৰ্ম হিচাপে প্ৰতিষ্ঠিত হৈছে। আমি দেখি আহিছোঁ যে নামঘৰবোৰ কেৱল ধৰ্মীয় আলোচনাৰ স্থান নহয়, নামঘৰ হ'ল সামাজিক ন্যায়ৰ এক আদালত স্বৰূপ। ইয়াত সত্য আৰু ন্যায়ৰ বিচাৰ হয়, যিয়ে সমাজৰ ভেটি শক্তিশালী কৰে। সত্ৰ আৰু নামঘৰৰ জৰিয়তে আমি যি সংস্কৃতিৰ ধাৰা অক্ষুণ্ণ ৰাখিছোঁ, সি বিশ্বদৰবাৰত অসমীয়া জাতিক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। আমি যেতিয়া ভৱিষ্যতৰ দিশত আগুৱাই যাওঁ, তেতিয়া এই আধ্যাত্মিক সম্পদসমূহক অন্ধবিশ্বাস বুলি পৰিহাৰ নকৰি, ইয়াৰ বৈ:নিক আৰু সামাজিক গুৰুত্বক সমল হিচাপে ল'ব লাগিব।

ভাদ মাহৰ এই আধ্যাত্মিক উদ্দীপনা কেৱল এক আৱেগিক অনুভৱ নহয়, ই আমাৰ জাতীয় স্বাভিমান আৰু অস্তিত্বৰ প্ৰতীক। জ্ঞান, ভক্তি আৰু কৰ্মৰ যি একত্ৰীকৰণ ভাদ মাহৰ কাৰ্যসূচীবোৰত দেখা যায়, সি মানুহক এক নতুন দিশ প্ৰদান কৰে। ভক্তিৰ পথে আমাক মানৱতাৰ সেৱাত ব্ৰতী হ'বলৈ অনুপ্ৰাণিত কৰে। অনাগত দিনবোৰত আমাৰ সমাজখনক এখন প্ৰকৃতিৰ সৈতে সংগতি ৰখা আৰু নব্য উত্তৰণমুখী সমাজ হিচাপে গঢ়ি তোলাৰ যি সপোন গুৰুজনাৰ আছিল, সেই সপোনক বাস্তৱায়িত কৰাই হ'ব আমাৰ আচল শ্ৰদ্ধাঞ্জলি। আহক, আমি সকলোৱে মিলি ভাদ মাহৰ এই আধ্যাত্মিক প্ৰশান্তিৰে আমাৰ মন-মগজু আৰু সমাজখনক পৱিত্ৰ কৰি তোলোঁ।

অৱশেষত, এই পৱিত্ৰ মাহটোৱে আমাৰ সমাজৰ সকলো ধৰণৰ মলিনতা আৰু অন্ধকাৰ আঁতৰাই এখন প্ৰশান্তিময় সমাজ গঢ়াত সহায় কৰক। গুৰু দুজনাই দেখুৱাই থৈ যোৱা পথেৰে আমি আগবাঢ়ি গৈ বিশ্বমানৱৰ সৈতে একাত্ম হ'বলৈ প্ৰয়াস কৰিম। ভাদ মাহৰ এই আধ্যাত্মিক উদ্দীপনা চিৰকাল জীয়াই থাকক আৰু আমাৰ অনাগত দিনবোৰক উজ্জ্বল কৰি তোলক। সমাজৰ অৱক্ষয়ৰ বিপৰীতে এক নৱজাগৰণৰ সুৰুয যেন আমাৰ মাজলৈ ভাদ মাহৰ প্ৰশান্তি লৈ আহে, সেই কাম্যেই চিৰস্মৰণীয় হৈ ৰ'ব। আমাৰ প্ৰতিটো পদক্ষেপ যেন সততা আৰু ভক্তিৰ দ্বাৰা পৰিচালিত হয়, যাতে ভাদ মাহৰ এই আধ্যাত্মিক শিক্ষা কেৱল এই মাহটোতে সীমাবদ্ধ নাথাকি গোটেই বছৰটোৰ বাবে আমাৰ জীৱনৰ পাথেয় হৈ পৰিব পাৰে। এনে এক সম্মিলিত প্ৰচেষ্টাৰ জৰিয়তেই আমি আমাৰ অনাগত ভৱিষ্যতৰ সৰ্বাংগীন উন্নতি সাধন কৰিবলৈ সক্ষম হ'ম।

**প্ৰেম বৈষ্ণৱ, বিহালী, বিশ্বনাথ**

# সুন্দৰতা উপভোগ

সময়ত আমাৰ যাত্ৰাপথত আমাক আমাৰ সৃষ্টিৰাজিৰ লগত পৰিচয় কৰাবলৈ অনলাইন যিবিলাক মাধ্যম আছে সেইবিলাকেও সহায় কৰিব পাৰে, মুঠতে বৰ্ণিল যাত্ৰাপথ ৰঙীণ কৰি তুলিব পৰা যায় । প্ৰশংসা প্ৰেৰণা আৰু ইতিবাচক চিন্তাৰ যোগেদি। গতিকে প্ৰশংসাই নতুনত্বৰ সন্ধান দিয়াত বহুগুণে সহায় কৰে।

প্ৰজ্ঞাৰ হিৰণ্ময়ী যাত্ৰাপথত বিভিন্ন জন ব্যক্তিৰ সান্নিধ্যত আহো। তাৰে কিছুমানক আমাৰ বেয়া লাগে। আৰু কিছুমানক বহুত বেছি ভাল লাগে। কোনোৱে আকৌ আগবাঢ়ি যাবলৈ প্ৰেৰণা দিয়ে কোনোৱে আকৌ আগবাঢ়ি যোৱাতো বেয়া পায় হিংসাও কৰে, যেনেকৈ বাৰিষা বতৰত কেঁকোৰা গাঁতত থকা কেঁকোৰাবোৰৰ এটা যদি ওপৰলৈ উঠি আহিবলৈ লয় পাছফালৰ পৰা অন্য এটাই টানি আকৌ সোমোৱাই থয়, অথাৎ আগবাঢ়ি যোৱাত হকা বাধা থাকেই। তেনে ক্ষেত্ৰত ভাল বেয়া বিশ্লেষণ কৰি আগাবাঢ়িব খুজিলে নিজস্ব কিছুমান ধাৰণাৰ প্ৰয়োজন ।

# ভাদ মাহ

অনাচাৰ ঋধিবলৈ নোৱাৰিব। আকাশবাণী হোৱাৰ দৰেই বসুদেৱে শ্ৰীকৃষ্ণক যমুনা নৈ পাৰ হৈ গকুল পালে। সেই সময়ত ধুমুহা বতাহ শিলাবৃষ্টিৰে চানি ধৰিছিল তথাপি বসুদেৱে সেই দুৰ্গম পথ অতিক্ৰম কৰিবলৈ ওলাই আহিছিল সেই সময়তে নাগ ৰজাই ফনা ধৰি ধুমুহা শিলাবৃষ্টিৰ পৰা শ্ৰীকৃষ্ণক বচোৱাৰ বাবে চেষ্টা কৰিছিল। এই সকলোখিনি কথা মহাপুৰুষ শংকৰদেৱৰ গুৰুজনাৰ কীৰ্ত্তন ঘোষাত পঢ়িবলৈ পাওঁ।

ধৰ্মীয় নীতি নিয়ম বোৰে সমাজ খন উশৃঙ্খলা বদ্ধ পৰিবেশেৰে উদণ্ড মানসিকতাৰ সাম কটাই নিয়মানুবৰ্তিতা আৰু অনুশাসনৰ মাজত চলিবলৈ শিকাই। এনেবোৰ ইতিবাচক চিন্তাই সকলো ব্যক্তিকে মানসিক আৰু শাৰিৰীক ভাবে যাদুকৰী শক্তিৰ দৰে সুষ্ট সবল কৰি নিজৰ জীৱনটোৰ ব্যক্তিত্ব আৰু চৌকাষৰ পৰিবেশ সলনি কৰি আত্মসন্মান বোধ জগাই উৎকৰ্ষ সাধন কৰে। জীৱ শ্ৰেষ্ঠ মানুহ, জ্ঞানশীল, বুদ্ধিশীল, মৰমীয়াল, দয়ালু ক্ৰোধান্বিত হোৱা আদি প্ৰবৃত্তিৰে গঠিত। সামাজিক প্ৰাণী মানুহ। গতিকে সমাজৰ ৰীতি- নীতিয়ে আমাক বান্ধি ৰাখিছে । যিহেতু আমি ঈশ্বৰ বা আল্লা বা গদ যিয়েই নামাতো এটি অদৃশ্য শক্তিক আমি বিশ্বাস কৰো সেই অদৃশ্য শক্তি হৈছে ভগৱান বা ঈশ্বৰ। প্ৰতিজন লোকে নিজৰ সম্প্ৰদায় অনুসৰি নিজৰ নিজৰ উপাস্য দেৱতা সকলক বিশ্বাস কৰোঁ আৰু সেই দেৱতা সকলক লৈ ধৰ্ম নিৰুপন কৰা হয়। প্ৰতিটো জাতিৰে নিজ ধৰ্ম অনুসৰি নিৰ্দিষ্ট ঠাইত ধৰ্মীয় অনুষ্ঠান থাকে। মন্দিৰ, মছজিদ, গুৰুদ্ধাৰ, আদি বিভিন্ন ধৰ্মীয় ঠাই বোৰত নিজৰ ধৰ্ম অনুযায়ী ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত হৈ পৰা দেখা যায়।

গতিকে জীৱনটো আমাৰ হাতত আমাৰ অভ্যাসেই প্ৰতিটো আচৰণ নিয়ন্ত্ৰনত ৰাখিবলৈ ধৰ্মীয় অনুষ্ঠানে বাধ্য কৰাই। সেয়ে হয়তো সৃষ্টিকৰ্তাই ধৰ্মৰ দ্ধাৰা তেওঁৰ গুণানু কীৰ্তনেৰে আমাৰ চিন্তাধাৰাক সম্পূৰ্ণ আমাৰ সঠিক দিশেৰে বোবাই দি সাফল্যতাৰ শিখৰত আৰোহণ কৰিবলৈ সমৰ্থবান হবলৈ তাৰ বাবেই ধৰ্মীয় অনুষ্ঠানৰ সৃষ্টি কৰিছে বুলি ভাবিবৰ যথেষ্ট থল আছে।

ৰঙিলী বাৰ্তা কৰ্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286